# সঠিক ধৰ্ম বিশ্বাস আৰু ইয়াৰ পৰিপন্থী বিষয়

# العقيدة الصحيحة وما يضادها

[ অসমীয়া – Assamese – آسامي ]

শ্বাইখ আব্দুল আজীজ বিন আব্দুল্লাহ বিন বাজ

৯৩৫

অনুবাদ

ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী

ইছলামী বিশ্ববিদ্যালয় মদীনা ছৌদি আৰব

# العقيدة الصحيحة وما يضادها

الشيخ عبد العزيز بن عبد الله بن باز

ترجمة

رفيق الاسلام بن حبيب الرحمن

## সঠিক ধৰ্ম বিশ্বাস আৰু ইয়াৰ পৰিপন্থী বিষয়

সকলো ধৰণৰ পশংসা একমাত্ৰ আল্লাহৰ বাবে। দৰুদ ও ছালাম বৰ্ষিত হওক সেই অন্তিম নবীৰ ওপৰত যাৰ পিছত আন কোনো নবী অহাৰ সম্ভাৱনা নাই।

যিহেতু সঠিক ধৰ্ম বিশ্বাসেই হৈছে ইছলাম ধৰ্মৰ মূল উপাদান আৰু মীল্লাতে ইছলামীয়াৰ পধান ভিত্তি। সেয়ে ইয়াক এই পৰন্ধৰ আলোচ্য বিষয় ৰূপে গহণ কৰাৰ সিদ্ধান্ত ল'লো।

কোৰআন আৰু হাদিছত বৰ্ণিত চৰিয়তী পমানাদিৰ দ্বাৰা এই কথা সুস্পষ্ট ৰূপে পৰিজ্ঞাত যে, যাৱতীয় কথা-বতৰা আৰু কাৰ্যৱলী কেৱল তেতিয়াইহে আল্লাহ তা'আলাৰ ওচৰত সঠিক বুলি স্বীকৃতি ও গৃহীত হয় যেতিয়া সেইটো ' বিশুদ্ধ আক্বীদা' অৰ্থাৎ সঠিক ধৰ্ম বিশ্বাসৰ আধাৰত সম্পদিত কৰা হয়। আৰু যদি আক্বীদা বিশুদ্ধ নহয় তেন্তে এনে আক্বীদাৰ ভিত্তিত সম্পাদিত কৰা যাৱতীয় আমল অগহণ যোগ্য হয়।

আল্লাহ তা'আলা কৈছেঃ

﴿وَمَن يَكۡفُرۡ بِٱلۡإِيمَٰنِ فَقَدۡ حَبِطَ عَمَلُهُۥ وَهُوَ فِي ٱلۡأٓخِرَةِ مِنَ ٱلۡخَٰسِرِينَ﴾ [المائدة:5]

অৰ্থঃ যিয়ে ঈমানৰ নীতি-নিয়ম অনুসৰি চলিবলৈ অস্বীকাৰ কৰে তাৰ সকলো কাম বিফলে যাব আৰু পৰকালত সি ক্ষতিগস্থ সকলৰ অন্তৰ্ভূক্ত হ'ব।" (ছুৰা মায়িদাঃ ৫)

আল্লাহ তা'আলা আৰু কৈছে

﴿وَلَقَدۡ أُوحِيَ إِلَيۡكَ وَإِلَى ٱلَّذِينَ مِن قَبۡلِكَ لَئِنۡ أَشۡرَكۡتَ لَيَحۡبَطَنَّ عَمَلُكَ وَلَتَكُونَنَّ مِنَ ٱلۡخَٰسِرِينَ﴾ [الزمر:65]

অৰ্থঃ তোমাৰ পতি আৰু তোমাৰ পূৰ্বৱৰ্তী ৰাছুল সকলৰ পতি এই পত্যাদেশ পেৰণ কৰা হৈছে যে তুমি যদি আল্লাহৰ লগত আনক অংশী কৰা তেনেহ'লে

তোমাৰ সকলো কৰ্ম অথলে যাব আৰু তুমি ক্ষতিগ্ৰস্থ সকলৰ অন্তৰ্ভূক্ত হ'বা।" (ছুৰা যুমাৰঃ৬৫)

এই অৰ্থৰ সপক্ষে কোৰআন শ্বৰীফত পচুৰ আয়াত সান্নিৱিষ্ট আছে।

আল্লাহ তা'আলাৰ অৱতীৰ্ণ সুস্পষ্ট কিতাপ আৰু তেওঁৰ পিয় ৰাছুল ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ বৰ্ণিত হাদিছৰ দ্বাৰা পমাণিত বিশুদ্ধ আক্বীদাৰ সাৰাংশ হ'ল এনে ধৰণৰ ঃ

আল্লাহ তা'আলাৰ ওপৰত, তেওঁৰ ফিৰিস্তা সকলৰ ওপৰত, তেওঁ অৱতীৰ্ণ কৰা কিতাপ সমূহৰ ওপৰত, আৰু ৰাছুল সকলৰ ওপৰত, লগতে পৰকাল আৰু ভাগ্যৰ ভাল বেয়াৰ ওপৰত বিশ্বাস স্থাপন কৰা।

এই ছয়টা বিষয়েই হৈছে সেই সঠিক ধৰ্ম বিশ্বাসৰ মৌলিক বিষয় বস্তু বা নীতিমালা, যিবোৰ লৈ অৱতীৰ্ণ হ'ল আল্লাহৰ মহান গন্থ আল কোৰান। আৰু পেৰিত হ'ল আল্লাহৰ পিয় দূত নবী মুহাম্মাদ ছাল্লাল্লা-হু আলাইহি অছাল্লাম । এই মৌখিক নীতিমালাৰেই শাখা-পশাখা হ'ল অদৃশ্য বিষয়াদি আৰু আল্লাহ আৰু তেওঁৰ ৰাছুলে দিয়া যাৱতীয় সংবাদ, যিবোৰৰ পতি বিশ্বাসস্থাপন কৰা পত্যেকৰে বাবে অপৰিহাৰ্য।

উক্ত ছয়টা নীতিমালাৰ সপক্ষে কোৰআন আৰু হাদিছত যথেস্ট পমান আছে। তাৰে মাজত আল্লাহ তা'আলাৰ নিম্নোক্ত বাণী সমূহ অন্যতম।

আল্লাহ তা'আলা কৈছেঃ

﴿لَّيْسَ ٱلْبِرَّ أَن تُوَلُّوا۟ وُجُوهَكُمْ قِبَلَ ٱلْمَشْرِقِ وَٱلْمَغْرِبِ وَلَـٰكِنَّ ٱلْبِرَّ مَنْ ءَامَنَ بِٱللَّهِ وَٱلْيَوْمِ ٱلْـَٔاخِرِ وَٱلْمَلَـٰٓئِكَةِ وَٱلْكِتَـٰبِ وَٱلنَّبِيِّـۧنَ﴾ [البقرة:177]

অৰ্থঃ তোমালোকৰ পূব বা পশ্চিম পিনে মূখ কৰাটোৱেই পূণ্যৰ কাম নহয়। বৰং পকৃত পূণ্যবান তেওঁহে যিজনে আল্লাহ, শেষ বিচাৰৰ দিন, ফিৰিস্তা সকল, অৱতীৰ্ণ হোৱা পুথি সমূহ আৰু নবী সকলৰ পতি নিস্ঠা আৰু আন্তৰিকতাৰে ঈমান আনে।" (ছুৰা বাকাৰাঃ ১৭৭)

আৰু কৈছেঃ

﴿ءَامَنَ ٱلرَّسُولُ بِمَآ أُنزِلَ إِلَيۡهِ مِن رَّبِّهِۦ وَٱلۡمُؤۡمِنُونَۚ كُلٌّ ءَامَنَ بِٱللَّهِ وَمَلَٰٓئِكَتِهِۦ وَكُتُبِهِۦ وَرُسُلِهِۦ لَا نُفَرِّقُ بَيۡنَ أَحَدٖ مِّن رُّسُلِهِۦۚ وَقَالُواْ سَمِعۡنَا وَأَطَعۡنَاۖ غُفۡرَانَكَ رَبَّنَا وَإِلَيۡكَ ٱلۡمَصِيرُ﴾ [البقرة:285]

অৰ্থঃ আল্লাহৰ পৰা ৰাছুলৰ পতি যি অৱতীৰ্ণ হৈছে সেয়া ৰাছুলে বিশ্বাস কৰে আৰু মুমিন সকলেও বিশ্বাস কৰে। তেওঁলোক সকলোৱেই আল্লাহৰ পতি, তেওঁৰ ফিৰিস্তা সকল, তেওৰ পুথি সমূহ, আৰু তেওঁৰ ৰাছুল সকলক বিশ্বাস কৰে আৰু মানে আৰু তেওঁলোকে কয় 'আল্লাহৰ ৰাছুল সকলৰ মাজত আমি কোনো পাৰ্থক্য নকৰো।" (ছুৰা বাকাৰাঃ ২৮৫)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿يَٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُوٓاْ ءَامِنُواْ بِٱللَّهِ وَرَسُولِهِۦ وَٱلۡكِتَٰبِ ٱلَّذِي نَزَّلَ عَلَىٰ رَسُولِهِۦ وَٱلۡكِتَٰبِ ٱلَّذِيٓ أَنزَلَ مِن قَبۡلُۚ وَمَن يَكۡفُرۡ بِٱللَّهِ وَمَلَٰٓئِكَتِهِۦ وَكُتُبِهِۦ وَرُسُلِهِۦ وَٱلۡيَوۡمِ ٱلۡأٓخِرِ فَقَدۡ ضَلَّ ضَلَٰلَۢا بَعِيدًا﴾ [النساء:136]

অৰ্থঃ হে ঈমানদাৰ সকল! আল্লাহ আৰু তেওঁৰ ৰাছুলৰ পতি আৰু তেওঁৰ ৰাছুলৰ পতি অৱতীৰ্ণ হোৱা পুথি সমূহৰ পতি বিশ্বাস স্থাপন কৰা। আৰু যিবোৰ পুথি তোমালোকৰ পুৰ্বে অৱতীৰ্ণ কৰা হৈছিল সেইবোৰৰ পতি ঈমান আনা। যিজনে আল্লাহ, তেওঁৰ ফিৰিস্তা সকল, তেওঁৰ পুথি সমূহ, আৰু তেওঁৰ ৰাছুল সকলৰ পতি ঈমান আনিবলৈ অস্বীকাৰ কৰে আৰু পৰকালকো অবিশ্বাস কৰে, সেই জন বিপথে বহু দুৰলৈ আতঁৰি গ'ল।" (ছুৰা নিছাঃ ১৩৬)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿أَلَمۡ تَعۡلَمۡ أَنَّ ٱللَّهَ يَعۡلَمُ مَا فِي ٱلسَّمَآءِ وَٱلۡأَرۡضِۚ إِنَّ ذَٰلِكَ فِي كِتَٰبٍۚ إِنَّ ذَٰلِكَ عَلَى ٱللَّهِ يَسِيرٞ﴾ [الحج:70]

অৰ্থঃ তুমি নজনা নেকি আকাশ আৰু পৃথিৱীত যিবোৰ আছে সেই সকলোবোৰ আল্লাহে জানে? এই সকলোবোৰ এখন পুথিত লিপিবদ্ধ আছে। নিশ্চয় এয়া আল্লাহৰ পক্ষে অতি সহজ।"(ছুৰা হজ্জঃ ৭০)

উপৰোক্ত নীতিমালাৰ সপক্ষে ছহীহ হাদিছৰ সংখ্যাও পচুৰ।

তাৰ মাজত সেই পসিদ্ধ ছহীহ হাদিছটো বিশেষ ভাৱে উল্লেখযোগ্য যিটো ইমাম মুছলিম (ৰঃ) তেওঁৰ কিতাব ছহীহ মুছলিম ছৰীফত হজৰতে ওমৰ (ৰাঃ)ৰ পৰা বৰ্ণনা কৰিছে। উক্ত হাদিছত আছে যে,

' জীবাল (আঃ) যেতিয়া নবী ছাল্লাল্লা-হু আলাইহিঅছাল্লামক ঈমান সম্পৰ্কে পশ্ন কৰিছিল তেতিয়া তেখেত ছাল্লাল্লা-হু আলাইহি অছাল্লামে উত্তৰত কৈছিল, ঈমান হৈছে ' তুমি আল্লাহ তা'আলাৰ পতি, তেওঁৰ ফিৰিস্তা সকলৰ পতি, কিতাব সমূহৰ পতি, আৰু ৰাছুল সকলৰ পতি লগতে পৰকালৰ পতি বিশ্বাস স্থাপন কৰা, আৰু এই কথাত আস্থা ৰাখিবা যে ভাগ্যৰ মঙ্গল-অমঙ্গল আল্লাহৰ তৰফৰ পৰা নিৰ্দ্ধাৰিত"।

উক্ত হাদিছটো ইমাম বোখাৰী (ৰঃ) আৰু ইমাম মুছলিম (ৰঃ)উভয়ে হজৰতে আবু হুৰাইৰা (ৰাঃ)ৰ পৰা বণনা কৰিছে।

উল্লেখযোগ্য যে আল্লাহ তা'আলা সম্পৰ্কে আৰু পৰকাল সংক্ৰান্ত যাৱতীয় অন্যান্য অদৃশ্য বিষয়াদি, যাৰ পতি পত্যেক মুছলমানৰ আস্থাবান হোৱা একান্ত অপৰিহাৰ্য সেই সকলোবোৰ উক্ত ছয়টা নীতিমালাৰ শাখা-পশাখা হিচাপে পৰিগণিত।

## পথম নীতিমালাঃ

## আল্লাহৰ পতি ঈমান

আল্লাহৰ পতি ঈমান আনাৰ অৰ্থ হ'ল যে 'এই কথাৰ ওপৰত বিশ্বাস স্থাপন কৰা যে, তেৱেঁই ইবাদতৰ একমাত্ৰ যোগ্য, তেওঁৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, কিয়নো একমাত্ৰ তেৱেঁই বান্দা সকলৰ সষ্টা। সিহঁতৰ পতি অনুগহ কাৰী আৰু সিহঁতৰ জীৱিকাৰ ব্যৱস্থাপক। আৰু তেৱেঁই সিহঁতৰ পকাশ্য-অপকাশ্য যাৱতীয় বিষয় সম্পৰ্কে পূৰ্ণ অৱহিত আৰু তেওঁ তাৰ অনুগত বান্দা সকলক পতিফল দিয়াত আৰু অবাধ্য বান্দা সকলক শাস্তিপদান কৰাত সম্পূৰ্ণ সক্ষম। আৰু তেওঁ মানৱ আৰু জ্বীন জাতিক তেওঁৰ ইবাদতৰ বাবেই সৃষ্টি কৰিছে। আৰু সিহঁতৰ পতি উক্ত আস্থাটো বাস্তবায়ন কৰিবলৈ নিৰ্দেশ দিছে।

যেনে আল্লাহ তা'আলা কৈছেঃ

﴿وَمَا خَلَقْتُ ٱلْجِنَّ وَٱلْإِنسَ إِلَّا لِيَعْبُدُونِ ۝٥٦ مَآ أُرِيدُ مِنْهُم مِّن رِّزْقٍ وَمَآ أُرِيدُ أَن يُطْعِمُونِ ۝٥٧ إِنَّ ٱللَّهَ هُوَ ٱلرَّزَّاقُ ذُو ٱلْقُوَّةِ ٱلْمَتِينُ﴾ [الذاريات:56-57]

অৰ্থঃ আমি জ্বীন আৰু মানুহক কেৱল মাথোন মোৰহে উপাসনা কৰিবলৈ সৃষ্টি কৰিছো। মই সিহঁতৰ পৰা জীৱিকা নিবিচাৰো আৰু মোৰ এইটোৱো পয়োজন নাই যে সিহঁতে মোৰ বাবে আহাৰ যোগান ধৰক'। (ছুৰা জাৰিয়াতঃ ৫৬-৫৭)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿يَٰٓأَيُّهَا ٱلنَّاسُ ٱعْبُدُوا۟ رَبَّكُمُ ٱلَّذِى خَلَقَكُمْ وَٱلَّذِينَ مِن قَبْلِكُمْ لَعَلَّكُمْ تَتَّقُونَ ۝٢١ ٱلَّذِى جَعَلَ لَكُمُ ٱلْأَرْضَ فِرَٰشًا وَٱلسَّمَآءَ بِنَآءً وَأَنزَلَ مِنَ ٱلسَّمَآءِ مَآءً فَأَخْرَجَ بِهِۦ مِنَ ٱلثَّمَرَٰتِ رِزْقًا لَّكُمْ ۖ فَلَا تَجْعَلُوا۟ لِلَّهِ أَندَادًا وَأَنتُمْ تَعْلَمُونَ ۝٢٢﴾ [البقرة: 21-22]

অৰ্থঃ হে মানৱ জাতি! তোমালোকে তোমালোকৰ পভুৰ উপাসনা কৰা, যিজনে তোমালোকক আৰু তোমালোকৰ পূৰ্বৱৰ্তী সকলো মানুহকেই সৃষ্টি কৰিছে। যাতে তোমালোকে ৰক্ষা পাব পাৰা। তেৱেঁই তোমালোকৰ বাবে পৃথিৱীখনক শয্যা কৰি দিছে, আকাশখনক চাল কৰি দিছে আৰু তাৰ পৰা পানী বৰ্ষাইছে

আৰু সেই পানীৰে নানাবিধ ফলমূল উৎপন্ন কৰিছে, তোমালোকৰ বাবে খাদ্যৰ যোগান ধৰিছে। এই কথা বিলাক যিহেতু তোমালোকে (নিশ্চিত ভাৱে) জানা, গতিকে তোমালোকে আন কাকো আল্লাহৰ সমকক্ষ বুলি মানি নলবা।" (ছুৰা বাকাৰাঃ ২১-২২)

এই সত্যক স্পষ্ট কৰি দাঙি দিয়াৰ বাবে আৰু ইয়াৰ পতি আহ্বান কৰি ইয়াৰ পৰিপন্থী বিষয়ৰ পৰা সতৰ্ক কৰাৰ উদ্দেশ্যে আল্লাহ তা'আলা যুগে-যুগে বহু নবী ও ৰাছুল পেৰণ কৰিছে আৰু কিতাব সমূহ অৱতীৰ্ণ কৰিছে।

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿وَلَقَدۡ بَعَثۡنَا فِي كُلِّ أُمَّةٖ رَّسُولًا أَنِ ٱعۡبُدُواْ ٱللَّهَ وَٱجۡتَنِبُواْ ٱلطَّٰغُوتَۖ﴾ [النحل:36]

অৰ্থঃ নিশ্চয় আমি পত্যেক জাতি লৈ একোজনকৈ ৰাছুল পঠাইছিলো। আৰু তেওঁলোকৰ জৰিয়তে আমি সকলোকে সতৰ্ক কৰি দিছিলো যে 'আল্লাহৰ উপাসনা কৰা তাগুতক পৰিহাৰ কৰা।" (ছুৰা নাহলঃ ৩৬)

আৰু কৈছেঃ

﴿وَمَآ أَرۡسَلۡنَا مِن قَبۡلِكَ مِن رَّسُولٍ إِلَّا نُوحِيٓ إِلَيۡهِ أَنَّهُۥ لَآ إِلَٰهَ إِلَّآ أَنَا۠ فَٱعۡبُدُونِ﴾ [الأنبياء:25]

অৰ্থঃ তোমাৰ পূৰ্বে আমি যি সকল ৰাছুল পঠাইছিলো তেওঁলোককো একেই পত্যাদেশ দিছিলো যে 'মোৰ বিনে আন কোনো উপাস্য নাই। সেয়ে তোমালোকে মোৰেই উপাসনা কৰা।" (ছুৰা আম্বীয়াঃ২৫)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿كِتَٰبٌ أُحۡكِمَتۡ ءَايَٰتُهُۥ ثُمَّ فُصِّلَتۡ مِن لَّدُنۡ حَكِيمٍ خَبِيرٍ ١ أَلَّا تَعۡبُدُوٓاْ إِلَّا ٱللَّهَۚ إِنَّنِي لَكُم مِّنۡهُ نَذِيرٞ وَبَشِيرٞ﴾ [هود:1-2]

অৰ্থঃ এয়া ঐশী পত্যাদেশ। ইয়াৰ বাণী সমূহ দৃঢ় পতিষ্ঠিত আৰু বিস্তাৰিত ভাৱে বিবৃত। সৰ্বজ্ঞ মহাজ্ঞানী সত্তাৰ পৰা এয়া অৱতীৰ্ণ হৈছে। যে 'তোমালোকে

আল্লাহৰ বাহিৰে আন কাৰো উপাসনা নকৰিবা। মই তেওঁৰেই পক্ষৰ পৰা তোমালোকৰ বাবে অহা সতৰ্ক কাৰী আৰু সু-সংবাদ দাতা।" (ছুৰা হুদঃ ১-২)

উল্লেখিত আয়াতৰ পকৃত অৰ্থ হ'ল 'যাৱতীয় ইবাদত এক মাত্ৰ আল্লাহৰ বাবে সম্পাদিত কৰা। পাৰ্থনা, ভয়, আশা, নামাজ, ৰোজা, জৱেহ, মান্নত ইত্যাদি সকলো পকাৰ ইবাদত তেওঁৰ পতি পূৰ্ণ পেম সহাকাৰে তেওঁৰ মহত্বৰ সন্মুখত সূক্ষ্ম মগুজুৰে পূণ্যৰ আশাত, শদ্ধাপূৰ্ণ ভয় আৰু পূৰ্ণ বশ্যতা সহাকৰে সম্পাদন কৰা।

পৰিত্ৰ কোৰআনত অধিকাংশ আয়াত এই মহান মৌলিক নীতিমালা সম্পৰ্কে অৱতীৰ্ণ হৈছে।

যেনে আল্লাহ তা'আলা আৰু কৈছেঃ

﴿ فَٱعۡبُدِ ٱللَّهَ مُخۡلِصٗا لَّهُ ٱلدِّينَ ۝٢ أَلَا لِلَّهِ ٱلدِّينُ ٱلۡخَالِصُۚ﴾ [الزمر:2-3]

অৰ্থঃ এতেকে তুমি আল্লাহৰ অনুগত্যত বিশুদ্ধচিত্তে তেওঁৰহে উপাসনা কৰা। জানি থোৱা! বিশুদ্ধ আন্তৰিক উপাসনা কেৱল আল্লাহৰহে পাপ্য।" (ছুৰা যুমাৰঃ ২-৩)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿وَقَضَىٰ رَبُّكَ أَلَّا تَعۡبُدُوٓاْ إِلَّآ إِيَّاهُ﴾ [الإسراء:23]

অৰ্থঃ তোমাৰ পভূৱে আদেশ দিছে যে তেওঁৰ বাহিৰে আন কাৰো উপাসনা নকৰিবা"। (ছুৰা বানী ঈছৰাইলঃ ২৩)

মহান আল্লাহ তা'আলা আৰু কৈছেঃ

﴿فَٱدۡعُواْ ٱللَّهَ مُخۡلِصِينَ لَهُ ٱلدِّينَ وَلَوۡ كَرِهَ ٱلۡكَٰفِرُونَ﴾ [غافر:14]

অৰ্থঃ সেয়েহে আল্লাহৰ আনুগত্যত বিশুদ্ধচিত্তে তেওঁকহে পাৰ্থনা কৰা, এই কথাত অবিশ্বাস কাৰী বিলাকে যিমানেই বেয়া নাপাওক কিয়? "(ছুৰা মুমিনঃ ১৮)

ছহীহ বোখাৰী আৰু মুছলিম শ্বৰিফত হজৰতে মুআজ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে, নবী ছাল্লাল্লা-হু আলাইহি অছাল্লাম এ কৈছেঃ

' বান্দাৰ ওপৰত আল্লাহৰ অধিকাৰ হ'ল ' তেওঁলোক যাতে কেৱল তেওঁৰেই ইবাদত কৰে আৰু তাৰ মাজত যাতে আন কাকো অংশী স্থাপন নকৰে"। (বোখাৰী ফাতহুল বাৰী ৬/২৮৫৬ কিঃ তাওহীদ ১৩/৭৩৭৩)

আল্লাহৰ পতি ঈমানৰ আন এটা পৰ্যায় হ'ল, সেই সকলোবিষয়ৰ ওপৰত বিশ্বাস স্থাপন কৰা, যিবোৰ আল্লাহ তা'আলা তেওঁৰ বান্দা সকলৰ ওপৰত অনিবাৰ্য ও অপৰিহাৰ্য কৰিছে।

যেনে ইছলামৰ বাহ্যিক পাচঁটা স্তম্ভ।

(১)সাক্ষী দিয়া যে ' আল্লাহ ব্যতীত আন কোনো সত্য উপাস্য নাই আৰু মুহাম্মাদ ছাল্লাল্লা-হু আলাইহি অছাল্লাম আল্লাহৰ ৰাছুল ।

(২)নামাজ পতিস্ঠা কৰা। (৩) যাকাত পদান কৰা। (৪)ৰমজান মাহৰ ৰোজা পালন কৰা। (৫) সক্ষম হ'লে হজ্জ বত পালন কৰা ইত্যাদি সহ অন্যান্য ফৰজ সমূহ, যিবোৰক লৈ পৱিত্ৰ শ্বৰিয়তৰ আগমন ঘটিছে।

উপৰোক্ত স্তম্ভ বা ৰুকুন সমূহৰ ভিতৰত সৰ্বাপেক্ষা গুৰুত্বপূৰ্ণ ও পধান ৰুকুনটো হ'ল, এই সাক্ষী দিয়া যে ' আল্লাহ ব্যতীত আন কোনো সত্য উপাস্য নাই' এই সাক্ষীৰ দাবী হৈছে 'সকলো ইবাদত আল্লাহৰ বাবে খালিচ (বিশুদ্ধচিত্তে) কৰা। আৰু আল্লাহৰ বাহিৰে আন সকলো উপাস্যৰ অস্বীকাৰ কৰা।আৰু এয়াই হৈছে লা-ইলা-হা ইল্লাল্লাহৰ তাৎপৰ্য।

কিয়নো ইয়াৰ যথাৰ্থ অৰ্থ হ'ল 'আল্লাহ ব্যতীত আন কোনো সত্য উপাস্য নাই। গতিকে তেওঁৰ বাহিৰে যিবোৰৰ ইবাদত কৰা হয়, সি মানৱ হওক বা ফিৰিস্তা, জ্বীন হওক বা আন কোনো, সকলো অসত্য। সত্য উপাস্য একমাত্ৰ আল্লাহ তা'আলা। যেনে আল্লাহ তা'আলা কৈছেঃ

﴿ذَٰلِكَ بِأَنَّ ٱللَّهَ هُوَ ٱلۡحَقُّ وَأَنَّ مَا يَدۡعُونَ مِن دُونِهِۦ هُوَ ٱلۡبَٰطِلُ وَأَنَّ ٱللَّهَ هُوَ ٱلۡعَلِيُّ ٱلۡكَبِيرُ﴾

[الحج:62]

অৰ্থঃ এয়া এই কাৰণেই যে আল্লাহ পৰম সত্য আৰু সিহঁতে তেওঁৰ বাহিৰে আন যিবোৰক মাতে সেই সকলোবোৰেই হ'ল অসত্য।'( ছুৰা হজ্জঃ ৬২)

ইতি পূৰ্বে কোৱা হৈছে যে আল্লাহ তা'আলা এই যথাৰ্থ মৌলিক বিষয়ৰ উদ্দেশ্যেই মানৱ ও জ্বীন জাতিক সৃষ্টি কৰিছে। আৰু এয়া বাস্তবায়ন কৰাৰ নিৰ্দেশও দিছে। এই বাবেই আল্লাহ তা'আলা তেওঁৰ ৰাছুল সকলক পেৰণ কৰিছে। আৰু অৱতীৰ্ণ কৰিছে স্বীয় পৱিত্ৰ কিতাব সমূহ।

এতেকে হে পাঠক বৃন্ধ! বিষয়টো ভালকে ভাৱি চাওক। আৰু এই বিষয়ে গভীৰ ভাৱে চিন্তা কৰক। আপুনি নিশ্চয় স্পষ্টকৈ বুজি পাব যে 'অধিকাংশ মুছলমান উক্ত গুৰুত্ব পূৰ্ণ নীতি সম্পৰ্কে অজ্ঞতাৰ মাজত পতিত হৈ আছে।

ফলত সিহঁত আল্লাহৰ সৈতে আনকো অংশী কৰি লৈছে। আৰু তেওঁৰ পাপ্য ও খালিছ অধিকাৰ সমূহ বেলেগৰ বাবে নিবেদিত কৰিছে।

এই বিশ্বাসও আল্লাহৰ পতি ঈমানৰ অন্তৰ্ভূক্ত যে 'তেৱেঁই সমূহ জগতৰ সৃষ্টি কৰ্তা, সিহঁতৰ যাৱতীয় বিষয়ৰ ব্যৱস্থাপক আৰু আল্লাহ তা'আলাৰ যেনে ইচ্ছা তেনে স্বীয় জ্ঞান আৰু ক্ষমতাৰ জৰিয়তে সিহঁতক নিয়ন্ত্ৰণ কৰে।তেৱেঁই পৃথিৱী আৰু পৰকালৰ গৰাকী আৰু সমগ জগৎবাসীৰ পতিপালক।তেওঁৰ বাহিৰে আন কোনো সষ্টা নাই। আৰু নাই কোনো পভূ। তেৱেঁই নিজ বান্দা সকলৰ যাৱতীয় সংশোধন আৰু সিহঁতৰ ইহলৌকিক ও পৰলৌকিক মঙ্গল ও কল্যাণৰ পতি আহ্বান জনোৱাৰ বাবে ৰাছুল সকলক পেৰণ কৰিছে আৰু ঐশী পুথি সমূহ অৱতীৰ্ণ কৰিছে। এই সকলো ক্ষেত্ৰত আল্লাহ তা'আলাপৱিত্ৰ। আল্লাহ তা'আলাৰ কোনো অংশী নাই।

তেওঁ কৈছেঃ

﴿ٱللَّهُ خَٰلِقُ كُلِّ شَيۡءٖۖ وَهُوَ عَلَىٰ كُلِّ شَيۡءٖ وَكِيلٞ﴾ [الزمر:62]

অৰ্থঃ আল্লাহ পতিটো বস্তুৰেই সৃষ্টি কৰ্তা আৰু তেৱেঁই পতিটো বস্তুৰে তত্ত্বাৱধায়ক ব্যৱস্থাপক। (ছুৰা যুমাৰঃ ৬২)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿إِنَّ رَبَّكُمُ ٱللَّهُ ٱلَّذِي خَلَقَ ٱلسَّمَٰوَٰتِ وَٱلۡأَرۡضَ فِي سِتَّةِ أَيَّامٖ ثُمَّ ٱسۡتَوَىٰ عَلَى ٱلۡعَرۡشِۖ يُغۡشِي ٱلَّيۡلَ ٱلنَّهَارَ يَطۡلُبُهُۥ حَثِيثٗا وَٱلشَّمۡسَ وَٱلۡقَمَرَ وَٱلنُّجُومَ مُسَخَّرَٰتِۭ بِأَمۡرِهِۦٓۗ أَلَا لَهُ ٱلۡخَلۡقُ وَٱلۡأَمۡرُۗ تَبَارَكَ ٱللَّهُ رَبُّ ٱلۡعَٰلَمِينَ﴾ [الأعراف:54]

অৰ্থঃ নিশ্চয় তোমালোকৰ পভূ সেইজন আল্লাহ, যিজনে ছয় দিনত আকাশ মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে। তাৰ পিছত তেওঁ নিজ সিংহাসনত উপৱিষ্ট হ'ল। তেওঁ দিনক ৰাতিৰে আচ্ছন্ন কৰে আৰু দিনে ৰাতিৰ পিছত তীব বেগে গতি কৰে। সূৰ্য, চন্দ আৰু তৰাবোৰ তেৱেঁই সৃষ্টি কৰিছে। আৰু সেইবোৰ তেওঁৰ বিধি-বিধানৰ আদেশানুগত। জানি থোৱা (সকলো) তেওঁৰেই সৃষ্টি, তেওঁৰেই সাৰ্বভৌম কতৃত্ব। বিশ্ব জগতৰ পভূ আল্লাহ মহিমান্বিত।" (ছুৰা আৰাফঃ ৫৪)

আল্লাহ তা'আলাৰ পতি ঈমানৰ আৰু এটা পৰ্যায় হ'ল। পৱিত্ৰ কোৰআনত উদ্ধৃত আৰু ৰাছুলে কাৰীম ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ পৰা পমানিত আল্লাহ তা'আলাৰ সৰ্ব পকাৰ গুণবাচক নাম সমূহ আৰু তাৰ সৰ্বোন্নত গুণৱালীৰ ওপৰত কোনো পকাৰ বিকৃতি, অস্বীকৃতি, ধৰণ-গঠণ বা সাদৃশ্য নকৰি বিশ্বাস স্থাপন কৰা।

এইবোৰ যেনেকৈ উদৃত হৈছে ঠিক তেনে কৈ কোনোধৰণ-গঠণ নিৰ্ণয় নকৰি তাৰ মহান অৰ্থগত দিশ সমূহৰ ওপৰত অৱশ্যই বিশ্বাস স্থাপন কৰিব লাগিব। কিয়নো এইবোৰ আল্লাহ তা'আলাৰ সেই সমূহ গুণাৱলী যিবোৰৰ দ্বাৰা কোনো সৃষ্টিৰ সৈতে সাদৃশ্য আৰোপ নকৰি যথাযত ভাৱে তেওঁক বিশেষিত কৰিব লাগিব।

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿لَيۡسَ كَمِثۡلِهِۦ شَيۡءٞۖ وَهُوَ ٱلسَّمِيعُ ٱلۡبَصِيرُ﴾ [الشورى:11]

অৰ্থঃ বিশ্বজগতৰ একোৱেই তেওঁৰ লগত ৰিজনি নাখাটে। তেওঁ সৰ্ব শোতা সৰ্ব দষ্টা।" (ছুৰা আছ শুৰাঃ ১১)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿فَلَا تَضْرِبُواْ لِلَّهِ ٱلْأَمْثَالَۚ إِنَّ ٱللَّهَ يَعْلَمُ وَأَنتُمْ لَا تَعْلَمُونَ﴾ [النحل:74]

অৰ্থঃ সেয়ে তোমালোকে আল্লাহৰ লগত আন কাৰোবাক তুলনা কৰি দৃষ্টান্ত নিদিবা। নিশ্চয় আল্লাহ তা'আলা জানে আৰু তোমালোকে নাজানা।" (ছৰা নাহলঃ ৭৪)

এয়া হ'ল ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ ছাহাবী সকল আৰু তেওঁৰ নিষ্ঠাবান অনুসাৰী আহলে ছুন্নাত ওৱাল জামাআতৰ আক্বীদাহ বা ধৰ্ম বিশ্বাস।

ইমাম আবুল হাছান আল-আশ্বআৰী (ৰাহিমাহুল্লাহ) তেওঁৰ কিতাপ ( আল মাকা-লাতু আন আছহা-বিল হাদিছ ওৱা আহলিছ ছুন্নাহ) নামক গন্থত এই আকাদাৰ কথাই উদৃত কৰিছে।

ইমাম আওজায়ী (ৰাহিমাহুল্লাহ)এ কৈছেঃ

'ইমাম জুহৰী আৰু ইমাম মাকহুল (ৰাহিমাহুল্লাহ)ক আল্লাহতা'আলাৰ গুণাৱলী সম্পৰ্কিত আয়াত সমূহৰ বিষয়ে সোধাত তেওঁলোকে কয়ঃ

'এইবোৰ যেনেকৈ আহিছে ঠিক তেনেকৈ মানি লোৱা'।

অলীদ বিন মুছলিম (ৰাহিমাহুল্লাহ)এ কৈছেঃ

'ইমাম মালিক, আওজায়ী,লাইছ বিন ছা'দ, আৰু ছুফিয়ান ছাওৰীক আল্লাহৰ গুণাৱলী সম্পৰ্কিত হাদিছ সমূহৰ বিষয়ে পশ্ন কৰাত তেওঁলোক সকলোৱে কয়ঃ

'এইবোৰ যেনেকৈ বৰ্ণিত হৈছে ঠিক তেনেকৈ কোনো ধৰণ-গঠণ নিৰ্ণয় নকৰি মানি লোৱা'।

ইমাম আওজায়ী নিজে কয়ঃ 'মই আৰু বিপুল সংখ্যক তাবেঈন সকলে এই কথাৰ ওপৰত আস্থা ৰাখোঁ যে 'আল্লাহ তা'আলা তেওঁৰ সিংহাসনত বিৰাজমান। লগতে আমি হাদিছত বৰ্ণিত তেওঁৰ সকলো গুণাৱলীৰ ওপৰত বিশ্বাস কৰোঁ।

ইমাম মালিক (ৰাহিমাহুল্লাহ)ৰ শিক্ষক ৰাবিয়া বিন আব্দুৰ ৰহমানক (আল্লাহ তেওঁৰ সিংহাসনত বিৰাজমান) সম্পৰ্কে পশ কৰাত তেওঁ কয় ' আল্লাহ তা'আলা তেওঁৰ সিংহাসনত বিৰাজ হোৱাটো নজনা কথা নহয়।কিন্তু ইয়াৰ বাস্তৱ

ধৰণটো আমাৰ বোধগম্য নহয়।ৰিছালত আহে আল্লাহৰ তৰফৰ পৰা আৰু ৰাছুল সকলৰ দায়িত্ব হ'ল স্পষ্ট ভাৱে ঘোষনা কৰা।আৰু আমাৰ কৰ্তব্য হ'ল ইয়াৰ পতি বিশ্বাস স্থাপন কৰা।'

ইমাম মালিক (ৰাহিমাহুল্লাহ)ক الإستواء (আল-ইছতিৱা) সম্পৰ্কে পশ্ন কৰাত কৈছেঃ

الإستواء معلوم والكيف مجهول والإيمان به واجب والسوال عنه بدعة.

আল্লাহ তা'আলা যে সমাসীন এয়া পৰিজ্ঞাত। কিন্তু ইয়াৰবাস্তৱ ধৰণ অজ্ঞাত। ইয়াৰ ওপৰত বিশ্বাস স্থাপন কৰা একান্ত অপৰিহাৰ্য।আৰু এই সম্পৰ্কে পশ্ন কৰা বিদআত।'

তাৰ পিছত তেওঁ পশ্নকাৰীক সম্বোধন কৰি কয় ' মোৰ দৃষ্টিত তুমি এজন বেয়া মানুহ' এই বুলি তাক বৈঠকৰ পৰা বহিস্কাৰ কৰাৰ নিৰ্দেশ দিয়ে।

উম্মুল মু'মিনীন হজৰত উম্মে ছালমা(ৰাদিয়াল্লাহু আনহা)ৰ পৰা সেই একেই অৰ্থৰ হাদিছ বৰ্ণিত আছে।

ইমাম আবু আব্দুৰ ৰহমান আব্দুল্লাহ বিন মুবাৰক (ৰঃ) এ কৈছেঃ

'আমি জানো,আমাৰ পভূ পৱিত্ৰ, তেওঁ নিজ সৃষ্টিৰ পৰা আতঁৰত আকাশৰ ওপৰত নিজ সিংহাসনৰ ওপৰত বিৰাজমান হৈ আছে।

উপৰোক্ত বিষয়ত ইমাম সকলৰ পচুৰ উক্তি পোৱা যায়। এই সংক্ষিপ্ত পুস্তিকাত ইয়াৰ বৰ্ণনা দিয়াটো সম্ভৱ নহয়। যদি কোনোবাই সবিশেষ জানিব বিছাৰে তেন্তে উলামায়ে আহলে ছুন্নাত ওৱাল জামাআতে লিখা উক্ত বিষয়ৰ ওপৰত বিভিন্ন গন্থাৱলী পৰ্যালোচনা কৰিব পাৰে।

উদাহৰণ স্বৰূপে কিছুমান গন্থৰ নাম ইয়াত উল্লেখ কৰিছো;যেনে

১)আব্দুল্লাহ বিন ইমাম আহমদে ৰচিত কিতাপ 'আচ্ছুন্নাহ'।

২)ইমাম মুহাম্মাদ বিন খোজাইমা ৰচিত কিতাপ ' আত তাওহীদ'।

৩)আবুল ক্বাছিম লালকায়ী তাবাৰীৰ কিতাপ ' আচ্ছুন্নাহ'।

৪)আবু বকৰ বিন আ-ছিমৰ কিতাপ ' আচ্ছুন্নাহ' ।

৫)এনে দৰে শ্বাইখুল ইছলাম ইমাম ইবনে তাইমীয়াৰ 'হুমাত বাসী' সকলৰ পতি দিয়া পত্যুত্তোৰ। এই গন্থখন অতি উপকাৰী আৰু এইটো এটা মহৎ পত্যুত্তোৰ। ইয়াত তেখেতে অতি স্পষ্ট ভাৱে আহলে ছুন্নাত ওৱাল জামাআতৰ আকীদাহ দাঙি ধৰিছে। আৰু সিহঁতৰ বহুবিধ উক্তিসহ বুদ্ধিবৃত্তিক আৰু ধৰ্মীয় পমান সমূহ উদৃত কৰিছে। যিবোৰ আহলে ছুন্নাত ওৱাল জামাআতৰ বক্তব্যৰ বিশুদ্ধতা আৰু সিহঁতৰ বিপক্ষীয় বক্তব্যৰ বাতুলতা সঠিক ভাৱে পমান কৰে।

৬) ইমাম ইবনে তাইমীয়্যা ৰচিত অনুৰূপ আৰু এটা কিতাপ 'ৰিছালায়ে তাদমুৰিয়া' নামে পৰিচিত। এই কিতাপত তেখেতে উক্ত বিষয়টো সবিস্তাৰে আলোচনা কৰিছে। আৰু তাত বিভিন্ন উক্তি ও যুক্তি সহকাৰে আহলে ছুন্নাত ওৱাল জামাআতৰ আকীদাহ বিতং ভাৱে বৰ্ণনা কৰিছে। আৰু বিৰোধী দলক এনে সন্তোস্ট জনক উত্তৰ দিছে যে, সত্য আন্বেষণ কাৰী ও সৰল-সাধু যি কোনো জ্ঞানী ব্যক্তি অকনমান চিন্তা কৰিলেই তেওঁৰ ওচৰত সত্য পকাশিত হৈ যাব আৰু অসত্যৰ বিলুপ্তি ঘটিব।

আৰু যিয়ে আল্লাহ তা'আলাৰ পৱিত্ৰ নাম সমূহ আৰু গুণাৱলী সম্পৰ্কীয় বিশ্বাসত আহলে ছুন্নাতৰ বিৰোধীতা কৰিব সি নিশ্চিত ভাৱে পৰস্পৰ বিৰোধী বিশ্বাসত আৰু উদ্ধৃতি ও যুক্তিগত স্পস্ট পমানৰ বিপক্ষে নিপতিত হ'ব।

আহলে ছুন্নাত ওৱাল জামাআত আল্লাহ তা'আলাৰ বাবে সেই সমূহ গুণাৱলী সাদৃশ্যহীন ভাৱে পতিস্ঠা কৰে যিবোৰআল্লাহ তা'আলা পৱিত্ৰ কোৰআনত অথবা তেওঁৰ ৰাছুলে ছহীহ হাদিছত আল্লাহৰ বাবে পতিস্ঠা কৰিছে। সিহঁতে আল্লাহ তা'আলাক তেওঁৰ সৃষ্টিৰ সাদৃশ্যৰ পৰা এনেকৈ পৱিত্ৰ ৰাখে যাৰ মাজত গুণমুক্ত হোৱাৰ অতি সামান্য পৰিমাণো সম্ভাৱনা নাথাকে।

ফলত সিহঁতে পৰস্পৰ বিৰোধী আস্থাৰ পৰা মুক্ত হৈ সমূহ দলীল-পমানৰ ভিত্তিত আল্লাহৰ গুণাৱলীৰ ওপৰত বিশ্বাস স্থাপন কৰে।

দৰাচলতে আল্লাহৰ বিধান এইটোৱে যে, যিয়ে ৰাছুল সকলৰ জৰিয়তে পেৰিত সত্যক খামুছ মাৰি ধৰি তাৰ সকলো সামৰ্থ সেই পথত ব্যয় কৰে আৰু নিস্ঠাৰ

সৈতে ইয়াৰ আন্বেষনত থাকে, আল্লাহ তা'আলা তাক সত্যৰ পথত চলাৰ তৌফিক পদান কৰে আৰু তাৰ পমানাদি সহ তেওঁক বিজয়ী কৰি দিয়ে।

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿بَلۡ نَقۡذِفُ بِٱلۡحَقِّ عَلَى ٱلۡبَٰطِلِ فَيَدۡمَغُهُۥ فَإِذَا هُوَ زَاهِقٞۚ وَلَكُمُ ٱلۡوَيۡلُ مِمَّا تَصِفُونَ﴾ [الأنبياء:18]

অৰ্থঃ  আচলতে আমি সত্যৰ জৰিয়তে অসত্যক আঘাত কৰো ফলত  ই অসত্যক চূৰ্ণ- বিচূৰ্ণ কৰি দিয়ে আৰু চাওঁতে চাওঁতে অসত্য বিলুপ্ত হৈ যায়।" (ছুৰা আম্বীয়াঃ১৮)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿وَلَا يَأۡتُونَكَ بِمَثَلٍ إِلَّا جِئۡنَٰكَ بِٱلۡحَقِّ وَأَحۡسَنَ تَفۡسِيرًا﴾ [الفرقان: 33]

অৰ্থঃ যেতিয়াই সিহঁতে তোমাৰ ওচৰলৈ কোনো নতুন কথা লৈ আহিছে তাৰ যথাৰ্থ সমীধান ঠিক সময়তে আমি তোমাক জনাই দিছো আৰু উত্তম ভাৱে ব্যাখ্যাও কৰি দিছো। (ছুৰা ফুৰকানঃ ৩৩)

হাফিজ ইবনে কাছিৰ (ৰঃ) তেওঁৰ বিখ্যাত তফছীৰ গন্থত নিম্নলিখিত আয়াতৰ ব্যাখ্যা পসঙ্গত অতি উত্তম কথা কৈছে।যিটো অত্যান্ত উপকাৰি হোৱাৰ বাবে মই ইয়াত বৰ্ণনা কৰাটো উপযোগী বুলি ভাৱো।

﴿إِنَّ رَبَّكُمُ ٱللَّهُ ٱلَّذِي خَلَقَ ٱلسَّمَٰوَٰتِ وَٱلۡأَرۡضَ فِي سِتَّةِ أَيَّامٖ ثُمَّ ٱسۡتَوَىٰ عَلَى ٱلۡعَرۡشِۖ﴾ [الأعراف:54]

অৰ্থঃ নিশ্চয় তোমালোকৰ পভূ সেই জন আল্লাহ, যিজনে ছয় দিনত আকাশ মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিছে; তাৰ পিছত তেওঁ নিজ সিংহাসনত উপৱিষ্ট হৈছে।" (ছুৰা আৰাফঃ ৫৪)

তেখেতে কৈছেঃ

এই বিষয়ত মানুহৰ মন্তব্য অধিক। ইয়াৰ বিস্তাৰিত বৰ্ণনা ইয়াত সম্ভৱ নহয়। আমি এই ক্ষেত্ৰত সেই পথ অৱলম্বণ কৰিম যিটো অতীতৰ সুযোগ্য মনীষী ইমাম মালিক, আওজায়ী, ছাওৰী,লাইছ বিন ছা'দ,ইমাম শ্বাফেয়ী,ইমাম আহমদ, ইছহাক বিন ৰাহৱায় সহ সেই সময়ৰ আৰু পৰবৰ্তী মুছলমান সকলৰ ইমাম সকলে অৱলম্বণ কৰিছিল।

আৰু সেয়া হৈছে, আল্লাহ তা'আলাৰ গুণাৱলীৰ বৰ্ণনা যেনেকৈ আমালৈ বৰ্ণনা হৈছে ঠিক সেই ভাৱেই সেইটো মানি লোৱা। ইয়াৰ কোনো ধৰণ-গঠন, সাদৃশ্য, অথবা গুণ বিমুক্তি নিৰ্ণয় কৰা ঠিক নহয়।যি সকল লোকে আল্লাহৰ লগত তেওঁৰ সৃষ্টিৰ সাদৃশ্য পদান কৰে সিহঁতৰ মগুজুত পথমেই আল্লাহৰ গুণাৱলী সম্পৰ্কে যিটো কল্পনাৰ সৃষ্টি হয় সেইটোৰ পৰা আল্লাহ তা'আলা সম্পুৰ্ণ ৰূপে মূক্ত। কিয়নো কোনো ক্ষেত্ৰতেই কোনো সৃষ্টি আল্লাহৰ সদৃশ হ'ব নোৱাৰে। 'বিশ্ব জগতৰ একোৱে তেওঁৰ লগত ৰিজনি নাখাটে। তেওঁ সৰ্ব শোতা,সৰ্ব দষ্টা।'(ছুৰা শ্বুৰাঃ১১)

পকৃততে বিষয়টো তেনেই, যেনে শদ্ধেয় ইমাম সকলে কৈ গৈছে।তেখেত সকলৰ মাজত ইমাম বোখাৰীৰ শিক্ষক নায়ীম বিন হাম্মাদ আল খূজায়ী অন্যতম। তেওঁ কৈছেঃ

'যি ব্যক্তি আল্লাহক তেওঁৰ সৃষ্টিৰ সৈতে সাদৃশ্য কৰে সি কাফিৰ। আৰু যিয়ে আল্লাহৰ সকলো গুণাৱলীৰ অস্বীকাৰ কৰে যিবোৰৰ জৰিয়তে তেওঁ নিজকে বিশেষিত কৰিছে সিও কাফিৰ। কিয়নো আল্লাহক স্বয়ং আল্লাহ নিজেই বা তেওঁৰ ৰাছুলে যি সমূহ গুণাৱলাৰ দ্বাৰা বিশেষিত কৰিছে সৃষ্টিৰ সৈতে সেই বোৰৰ কোনো সদৃশ নাই।

এতেকে যি ব্যক্তি আল্লাহ তা'আলাৰ বাবে কোৰআন শ্বৰিফৰ স্পষ্ট আয়াত আৰু ছহীহ হাদিছ সমূহত বৰ্ণিত গুণাৱলী এনেকৈ পতিষ্ঠা কৰে যেনেকৈ আল্লাহ তা'আলাৰ মহত্বৰ সৈতে পযোজ্য। আৰু তেওঁক যাৱতীয় অপূৰ্ণতা, খূঁত বা দোষ-ক্ৰটি-বিচ্যুতিৰ পৰা পাক -পৱিত্ৰ ৰাখে সিয়েই সেই ব্যক্তি যিজনে হিদায়তৰ পথ সঠিক ভাৱে অনুসৰণ কৰি চলে।

দ্বিতীয় নীতিমালাঃ

ফিৰিস্তা সকলৰ পতি ঈমানঃ

ফিৰিস্তা সকলৰ পতি সংক্ষিপ্ত ও বিস্তাৰিত বিশ্বাস স্থাপন কৰিব লাগিব। এজন মুছলমান সংক্ষিপ্ত ভাৱে এইটো বিশ্বাস স্থাপন কৰিব যে, আল্লাহ তা'আলাৰ বিপূল সংখ্যক ফিৰিস্তা আছে। সিহঁতক তেওঁ নিজ আনুগত্যৰ বাবে সৃষ্টি কৰিছে। সিহঁতৰ বৰ্ণনা দি তেওঁ কৈছে যে, সিহঁত আল্লাহৰ আগ ধৰি নামাতে,বৰং সিহঁত সদায় তেওঁৰ আদেশানুসাৰে নিজ নিজ দায়িত্ব পালন কৰে।

আল্লাহ তা'আলা কৈছেঃ

﴿عِبَادٌ مُّكۡرَمُونَ ٢٦ لَا يَسۡبِقُونَهُۥ بِٱلۡقَوۡلِ وَهُم بِأَمۡرِهِۦ يَعۡمَلُونَ ٢٧ يَعۡلَمُ مَا بَيۡنَ أَيۡدِيهِمۡ وَمَا خَلۡفَهُمۡ وَلَا يَشۡفَعُونَ إِلَّا لِمَنِ ٱرۡتَضَىٰ وَهُم مِّنۡ خَشۡيَتِهِۦ مُشۡفِقُونَ﴾ [الأنبياء: 26-28]

অৰ্থঃ তেওঁলোক আল্লাহৰ মৰ্যাদাবান দাস মাথোনহে। আল্লাহে কোৱাৰ আগতে তেওঁলোকে আগধৰি নামাতে। কেৱল তেওঁৰ আদেশ অনুযায়ীহে কাম কৰে। তেওঁলোকৰ আগত কি আছে সেয়া তেওঁ জানে আৰু তেওঁলোকৰ আগোচৰে কি

আছে সেয়াও তেওঁ জানে। তেওঁলোকে কাৰো পক্ষে উকালতি নকৰে। কৰে মথোন তেওঁলোকৰ বাবেহে যি সকলৰ পক্ষে উকালতি কৰিবলৈ আল্লাহে সন্মতি দিয়ে।আৰু যি সকল তেওঁৰ ভয়ত ভীত-সন্ত্ৰস্ত হৈ থাকে। (ছুৰা আম্বীয়াঃ২৬-২৮)

আল্লাহৰ ফিৰিস্তা সকল বিভিন্ন পকাৰ দায়িত্বত নিয়োজিত। তাৰ ভিতৰত এদল তেওঁৰ আৰশ্ব (সিংহাসন) উত্তোলন কাৰ্যত, আন এদল জান্নাত জাহান্নামৰ তত্ত্বাৱধায়নত আৰু এদল মানুহৰ আমল নামা সংৰক্ষণৰ দায়িত্বত নিয়োজিত আছে।এইদৰে বিভিন্ন জন বিভিন্ন কামত নিয়োজিত হৈ আছে।

আৰু আমি বিশদ ভাৱে সেই সকল ফিৰিস্তাৰ পতি বিশ্বাস স্থাপন কৰিব লাগে যিহঁতৰ নাম আল্লাহ আৰু তেওঁৰ ৰাছুলে উল্লেখ কৰিছে। যেনে  জিবাল, মীকাইল, মালিক এওঁ দোজখৰ তত্ত্বাবধায়ক আৰু ইছৰাফীল এওঁ মহাপলয়ৰ দিনা শিঙাত ফুঁ দিয়াৰ কামত নিয়োজিত।একাধিক ছহীহ হাদিছত তেওঁৰ কথা উল্লেখ আছে।

হজৰতে আইশ্বা (ৰাঃ)ৰ পৰা বৰ্ণিত এটা হাদিছত কোৱা হৈছে যে, নবী কাৰীম ছাল্লাল্লা-হু আলাইহি অছাল্লামে কৈছেঃ

'ফিৰিস্তা সকল নুৰৰ সৃষ্টি; জ্বীন সকল বিশুদ্ধ জুইৰ সৃষ্টি,আৰু আদমক যিহেৰে সৃষ্টি কৰিছে সেইটো আল্লাহ তা'আলা তোমালোকৰ বাবে বৰ্ণনা কৰিছে"।

উক্ত হাদিছ টো ইমাম মুছলিম (ৰঃ) বৰাত সহ তেওঁৰ নিজ গন্থত বৰ্ণনা কৰিছে।

তৃতীয় নীতিমালাঃ

ঐশীপুথি সমূহৰ পতি ঈমানঃ

এইদৰে আল্লাহ তা'আলাৰ কিতাপ সমূহৰ পতি ঈমানৰ ক্ষেত্রত সংক্ষিপ্ত ভাৱে এইটো বিশ্বাস স্থাপন কৰা যে,আল্লাহ তা'আলা তেওঁৰ সত্যতা ঘোষনা কৰাৰ উদ্দেশ্যে আৰু ইয়াৰ পতি মানুহক আহ্বান জনোৱাৰ বাৱে তেওঁৰ নবী ও ৰাছুল সকলৰ ওপৰত বহুসংখ্যক কিতাপ অৱতীৰ্ণ কৰিছে।

আল্লাহ তা'আলা কৈছেঃ

﴿لَقَدْ أَرْسَلْنَا رُسُلَنَا بِٱلْبَيِّنَٰتِ وَأَنزَلْنَا مَعَهُمُ ٱلْكِتَٰبَ وَٱلْمِيزَانَ لِيَقُومَ ٱلنَّاسُ بِٱلْقِسْطِ﴾

[الحديد: 25]

অৰ্থঃ আমি আমাৰ ৰাছুল সকলক সু-স্পষ্ট নিদৰ্শনৰ সৈতে পঠাইছো আৰু তেওঁলোকৰ লগত পুথি আৰু ন্যায়-নীতিৰ মানদণ্ডও পেৰণ কৰিছো। যাতে মানুহে ন্যায়-নিষ্ঠাৰ ওপৰত পতিষ্ঠিত থাকিব পাৰে।" (ছুৰা হাদীদঃ ২৫)

আৰু কৈছেঃ

﴿كَانَ ٱلنَّاسُ أُمَّةً وَٰحِدَةً فَبَعَثَ ٱللَّهُ ٱلنَّبِيِّـۧنَ مُبَشِّرِينَ وَمُنذِرِينَ وَأَنزَلَ مَعَهُمُ ٱلْكِتَٰبَ بِٱلْحَقِّ لِيَحْكُمَ بَيْنَ ٱلنَّاسِ فِيمَا ٱخْتَلَفُوا۟ فِيهِ﴾ [البقرة:213]

অৰ্থঃ আদিতে সমগ মানৱ জাতি একে পন্থাৰ অনুসাৰী আছিল।(পাছত এই অৱস্থাৰ অৱসান ঘটিল আৰু পৰস্পৰৰ মাজত মতভেদৰ সৃষ্টি হ'ল) তেতিয়া

আল্লাহ তা'আলা সু-সংবাদদাতা আৰু সতৰ্কাৰী হিচাপে নবী সকলক পেৰণ কৰিলে আৰু তেওঁ লোকৰ লগত কিতাপ অৱতীৰ্ণ কৰিলে যাতে তাৰ জৰিয়তে পকৃত সত্য সম্পৰ্কে মানুহৰ মাজত যি মতভেদৰ সৃষ্টি হৈছে তাক তেওঁলোকে মীমাংসা কৰিব পাৰে"।(ছুৰা বাকাৰাঃ ২১৩)

আৰু বিশদ ভাৱে আমি সেই সমূহ কিতাপৰ পতি বিশ্বাস স্থাপন কৰিম যিবোৰৰ নাম আল্লাহ তা'আলা বিশেষ ভাৱে উল্লেখ কৰিছে। যেনে তাওৰাত, ইঞ্জিল,জব্বুৰ, আৰু কোৰআন।

এইবোৰৰ মাজত কোৰআনেই সৰ্বোত্তম ও সৰ্বশেষ কিতাপ যিয়ে পূৰ্বৱৰ্তী সমূহ কিতাপৰ সংৰক্ষক আৰু সত্যায়ন কাৰী।

সকলো উম্মত ইয়াৰেই অনুসৰণ কৰিব লাগিব। আৰু ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ পৰা বৰ্ণিত ছহীহ হাদিছ সহ ইয়াৰেই আদেশ মানিব লাগিব। কিয়নো আল্লাহ তা'আলা তেওঁৰ নবী মুহাম্মাদ ছাল্লাল্লা-হু আলাইহি অছাল্লামক সমগ জ্বীন জাতি ও মানৱ জাতিৰ পতি ৰাছুল হিচাপে পেৰণ কৰিছে।আৰু তেওঁৰ পতি এই মহান কিতাপ 'কোৰআন শ্বৰিফ' অৱতীৰ্ণ কৰিছে। যাতে তেওঁ ইয়াৰ জৰিয়তে মানুহৰ মাজত ন্যায় বিচাৰ কৰিব পাৰে। আৰু আল্লাহ তা'আলা এই কোৰআনক সিহঁতৰ অন্তৰত থকা যাৱতীয় ব্যাধিৰ পতিকাৰ, সিহঁতৰ পতিটো বিষয়ৰ স্পষ্ট পত্যুত্তোৰ আৰু মু'মিন সকলৰ বাবে হিদায়ত আৰু ৰহমত স্বৰূপে অৱতীৰ্ণ কৰিছে।

আল্লাহ তা'আলা কৈছেঃ

﴿وَهَٰذَا كِتَٰبٌ أَنزَلۡنَٰهُ مُبَارَكٞ فَٱتَّبِعُوهُ وَٱتَّقُواْ لَعَلَّكُمۡ تُرۡحَمُونَ﴾ [الأنعام:155]

অৰ্থঃ আমিয়েই এই পুথি অৱতীৰ্ণ কৰিছো। ই এখন মহা কল্যাণকৰ পুথি।এই খনক অনুসৰণ কৰি চলা আল্লাহক ভয় কৰা, সম্ভৱ আল্লাহে তোমালোকক দয়া কৰিব।" (ছুৰা আনআমঃ ১৫৫)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿وَنَزَّلۡنَا عَلَيۡكَ ٱلۡكِتَٰبَ تِبۡيَٰنٗا لِّكُلِّ شَيۡءٖ وَهُدٗى وَرَحۡمَةٗ وَبُشۡرَىٰ لِلۡمُسۡلِمِينَ﴾ [النحل:89]

অৰ্থঃ 'আমি তোমাৰ পতি এই পুথি অৱতীৰ্ণ কৰিছো, যিখনে পতিটো বিষয় স্পষ্ট কৈ বিশদ ভাৱে বৰ্ণনা কৰে আৰু যিখন মুছলমান সকলৰ বাবে পথপদৰ্শক, দয়া আৰু সু-সংবাদ স্বৰূপ।" (ছুৰা নাহলঃ ৮৯)

আৰু কৈছেঃ

﴿قُلْ يَـٰٓأَيُّهَا ٱلنَّاسُ إِنِّى رَسُولُ ٱللَّهِ إِلَيْكُمْ جَمِيعًا ٱلَّذِى لَهُۥ مُلْكُ ٱلسَّمَـٰوَٰتِ وَٱلْأَرْضِ ۖ لَآ إِلَـٰهَ إِلَّا هُوَ يُحْىِۦ وَيُمِيتُ ۖ فَـَٔامِنُوا۟ بِٱللَّهِ وَرَسُولِهِ ٱلنَّبِىِّ ٱلْأُمِّىِّ ٱلَّذِى يُؤْمِنُ بِٱللَّهِ وَكَلِمَـٰتِهِۦ وَٱتَّبِعُوهُ لَعَلَّكُمْ تَهْتَدُونَ﴾ [الأعراف: 158]

অৰ্থঃ হে মানৱ! মই তোমালোক সকলোৰে বাবে আল্লাহৰ পেৰিত ৰাছুল। তেওঁ আকাশ মণ্ডল আৰু পৃথিৱীৰ সাৰ্বভৌম অধিকাৰী। তেওঁৰ বাহিৰে আন কোনো উপাস্য নাই। তেৱেঁই জীৱন দান কৰে আৰু তেৱেঁই মৃত্যু ঘটায়। সেয়ে তোমালোকে বিশ্বাস স্থাপন কৰা আল্লাহৰ পতি আৰু তেওঁৰ নিৰক্ষৰ নবীৰ পতি, যিজনে আল্লাহ আৰু তেওঁৰ বাণীৰ পতি বিশ্বাস স্থাপন কৰিছে। আৰু তোমালোকে তেওঁক অনুসৰণ কৰা। সম্ভৱত সুপথ লাভ কৰিবা।" ( ছুৰা আৰাফঃ ১৫৮)

এই অৰ্থত বিপুল সংখ্যক আয়াত কোৰআন মাজীদত অৱতীৰ্ণ হৈছে।

চতুৰ্থ নীতিমালাঃ

ৰাছুল সকলৰ পতি ঈমানঃ

আল্লাহৰ পেৰিত ৰাছুল সকলৰ পতিও সংক্ষিপ্ত আৰু বিস্তাৰিত ঈমান আনিব লাগিব। সেয়ে আমি বিশ্বাস কৰোঁ যে , আল্লাহ তা'আলা তেওঁৰ নিজ বান্দা সকলৰ পতি সিহঁতৰ মাজৰ পৰা বহু সংখ্যক ৰাছুল, সু-সংবাদদাতা, ভীতি পদৰ্শন কাৰী আৰু সত্যৰ পিনে আহ্বায়ক ৰূপে পেৰণ কৰিছে। যি ব্যক্তি তেওঁ লোকৰ কথা মানি লৈছে সি সফল, আৰু যিয়ে বিৰোধীতা কৰিছে সি হতাশা ও অনুশোচনাৰ চিকাৰ হৈছে।

ৰাছুল সকলৰ মাজত সৰ্ব শেষ্ট ও সৰ্ব শেষ হৈছে আমাৰ পিয় নবী মুহাম্মাদ ছাল্লাল্লা-হু আলাইহি অছাল্লাম।

আল্লাহ তা'আলা কৈছেঃ

﴿وَلَقَدْ بَعَثْنَا فِي كُلِّ أُمَّةٍ رَّسُولًا أَنِ ٱعْبُدُواْ ٱللَّهَ وَٱجْتَنِبُواْ ٱلطَّٰغُوتَۖ﴾ [النحل:36]

অৰ্থঃ নিশ্চয় আমি পত্যেক জাতি লৈ একোজনকৈ ৰাছুল পঠাইছিলো। আৰু তেওঁ লোকৰ জৰিয়তে আমি সকলোকে সতৰ্ক কৰি দিছিলো যে 'আল্লাহৰ উপাসনা কৰা, তাগুতক পৰিহাৰ কৰা।" (ছুৰা নাহলঃ ৩৬)

আৰু কৈছেঃ

﴿رُّسُلًا مُّبَشِّرِينَ وَمُنذِرِينَ لِئَلَّا يَكُونَ لِلنَّاسِ عَلَى ٱللَّهِ حُجَّةُۢ بَعْدَ ٱلرُّسُلِۚ﴾ [النساء: 165]

অৰ্থঃ ৰাছুল সকলক সু-সংবাদদাতা আৰু সাৱধানবাণী শুনাওঁতা ৰূপে পেৰণ কৰিছিলো। যাতে তেওঁলোকক পঠোৱাৰ পিছত আল্লাহৰ বিপক্ষে মানুহৰ কোনো যুক্তি নাথাকে।" ( ছুৰা নিছাঃ ১৬৫)

আৰু কৈছেঃ

﴿مَّا كَانَ مُحَمَّدٌ أَبَآ أَحَدٍ مِّن رِّجَالِكُمْ وَلَٰكِن رَّسُولَ ٱللَّهِ وَخَاتَمَ ٱلنَّبِيِّـۧنَ﴾ [الأحزاب:40]

অৰ্থঃ মুহাম্মাদ তোমালোকৰ কোনো পুৰুষৰে পিতৃ নহয়।তেওঁ হ'ল আল্লাহৰ ৰাছুল আৰু সৰ্ব শেষ নবী"। (ছুৰা আহজাবঃ ৪০)

গোটেই নবী-ৰাছুল সকলৰ মাজত যিহঁতৰ নাম আল্লাহ তা'আলা নিজে উল্লেখ কৰিছে অথবা নবী ছাল্লাল্লা-হু আলাইহি অছাল্লামে হাদিছত বৰ্ণনা দিছে সেই সকলৰ পতি আমি বিশদ ভাৱে বিশ্বাস স্থাপন কৰোঁ। যেনে হজৰত নূহ, হুদ, ছালেহ, ইবাহীম, মুছা,ঈছা আৰু অন্যান্য ৰাছুল সকল। আল্লাহ তেওঁলোকৰ ওপৰত আৰু তেওঁলোকৰ পৰিয়াল বৰ্গ ও অনুসাৰী সকলৰ ওপৰত কৰুণা ও শান্তি বৰ্ষণ কৰক। ( আমীন)

## পঞ্চম নীতিমালাঃ

## আখেৰাত বা পৰকালৰ পতি ঈমানঃ

পৰকাল সম্পৰ্কে আল্লাহ তা'আলা আৰু তেওঁৰ ৰাছুলে দিয়া যাৱতীয় সংবাদৰ পতি বিশ্বাস স্থাপন কৰা আখেৰাতৰ দিনৰ পতি ঈমান আনাৰ অন্তৰ্ভূক্ত। মৃত্যুৰ পিছত যি সংঘটিত হ'ব যেনে- কবৰৰ পৰীক্ষা,আৰু ইয়াৰ শাস্তি ও অনুগহ, মহা পলয়ৰ ভয়াৱহতা ও পচন্ডতা,পুলচিৰাত, মিজান,হিচাব নিকাচ,পতিফল পদান, মানুহৰ মাজত সিহঁতৰ আমল নামা বিতৰণ, তেতিয়া কিছুমানে আমল নামা সোঁ হাতত গহণ কৰিব। পক্ষান্তৰে কিছুমানে আকৌ বাওঁ হাতত গহণ কৰিব বা পিছমোৱা হৈ গহণ কৰিব ইত্যাদি।এই যাৱতীয় বস্তুৰ ওপৰত ঈমান আনা উক্ত ঈমানৰ অন্তৰ্ভূক্ত।

আমাৰ পিয় নবী হজৰত মুহাম্মাদ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ বাবে নিৰ্ধাৰিত হাউজে কাওছাৰ, জান্নাত, জাহান্নাম, মুমিন বান্দা সকলৰ পভ্ দৰ্শন আৰু সিহঁতৰ লগত কথাপোকথনসহ যিবোৰ কোৰআন ও ছহীহ হাদিছত উল্লেখ আছে তাৰ পতি বিশ্বাস স্থাপন কৰাটো এই ঈমানৰ অন্তৰ্ভূক্ত।

এতেকে উপৰোক্ত সকলো বিষয়ৰ ওপৰত আল্লাহ আৰু তেওঁৰ ৰাছুল ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ নিৰ্দেশিত পন্থা অনুসৰি বিশ্বাস স্থাপন কৰা আমাৰ ওপৰত ওৱাজীৱ।

ষষ্ঠ নীতিমালাঃ

ভাগ্যৰ পতি ঈমানঃ

ভাগ্যৰ পতি ঈমান বুলিলে নিম্নোক্ত চাৰিটা বিষয়ৰ ওপৰত বিশ্বাস স্থাপন কৰা বুজায় ঃ-

পথমঃ এই বিশ্বাস স্থাপন কৰা যে, অতীতত যি হৈছে আৰু বৰ্তমান যি হৈ আছে আৰু ভৱিষ্যতত যি হ'ব এই সকলোবোৰ আল্লাহ তা'আলা জানে।তেওঁ তেওঁৰ বান্দা সকলৰ যাৱতীয় অৱস্থা সম্পৰ্কে অৱহিত। সিহঁতৰ আহাৰ, সিহঁতৰ মৃত্যু, সিহঁতৰ দৈনন্দিন কাৰ্যাৱলী সহ অন্যান্য সকলো বিষয় সম্পৰ্কে তেওঁ সম্যক অৱগত, একোৱেই তেওঁৰ অগোচৰ নহয়। তেওঁ পৱিত্ৰ ও মহান।

এই বিষয়ে আল্লাহ তা'আলা কয়ঃ

﴿إِنَّ ٱللَّهَ بِكُلِّ شَيۡءٍ عَلِيمٌ﴾ [العنكبوت:62]

অৰ্থঃ নিশ্চয় আল্লাহ পত্যেক বস্তু সম্পৰ্কে সৰ্বাধিক জ্ঞাত।"

(ছুৰা আনকাবুতঃ ৬২)

মহা মহিম আল্লাহ তা'আলা কৈছেঃ

﴿لِتَعۡلَمُوٓاْ أَنَّ ٱللَّهَ عَلَىٰ كُلِّ شَيۡءٖ قَدِيرٞ وَأَنَّ ٱللَّهَ قَدۡ أَحَاطَ بِكُلِّ شَيۡءٍ عِلۡمَۢا﴾ [الطلاق: 12]

অৰ্থঃ যাতে তোমালোকে উপলব্ধি কৰিব পাৰা যে আল্লাহ সকলো বিষয়তে ক্ষমতাবান আৰু আল্লাহৰ জ্ঞানে সকলোকে পৰিবেষ্টন কৰি আছে।" (ছুৰা তালাকঃ ১২)

দ্বিতীয়ঃ এই বিশ্বাস স্থাপন কৰা যে আল্লাহ তা'আলা যি নিৰ্দ্ধাৰণ ও সম্পাদন কৰিছে, সেই সকলোবোৰ তেওঁৰ স্পষ্ট কিতাপত লিপিবদ্ধ আছে।

এই বিষয়ে আল্লাহ তা'আলা কয়

﴿قَدۡ عَلِمۡنَا مَا تَنقُصُ ٱلۡأَرۡضُ مِنۡهُمۡۖ وَعِندَنَا كِتَٰبٌ حَفِيظُۢ﴾ [ق: 4]

অৰ্থঃ 'পৃথিৱীয়ে সিহঁতৰ দেহৰ পৰা কি হৰি নিয়ে সেয়া আমাৰ জনা আছে। আমাৰ ওচৰত এনে গন্থ আছে য'ত সকলো কথা সংৰক্ষণ কৰা আছে।" (ছুৰা ক্বাফঃ ৪)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿وَكُلَّ شَيۡءٍ أَحۡصَيۡنَٰهُ فِيٓ إِمَامٖ مُّبِينٖ﴾ [يس: 12]

অৰ্থঃ আৰু আমি পতিটো বস্তু এটা স্পষ্ট কিতাপত সংৰক্ষিত কৰি ৰাখিছো"। (ছুৰা ইয়াছিনঃ ১২)

আৰু কৈছেঃ

﴿أَلَمۡ تَعۡلَمۡ أَنَّ ٱللَّهَ يَعۡلَمُ مَا فِي ٱلسَّمَآءِ وَٱلۡأَرۡضِۚ إِنَّ ذَٰلِكَ فِي كِتَٰبٍۚ إِنَّ ذَٰلِكَ عَلَى ٱللَّهِ يَسِيرٞ﴾ [الحج:70]

অৰ্থঃ তুমি নজনা নেকি যে আকাশ আৰু পৃথিৱীত যিবোৰ আছে সেইবোৰ আল্লাহে জানে? এই সকলোবোৰ এখন পুথিত লিপিবদ্ধ হৈ আছে।নিশ্চয় এয়া আল্লাহৰ পক্ষে অতি সহজ।" (ছুৰা হজ্জঃ ৭০)

তৃতীয়ঃ আল্লাহ তা'আলাৰ কাৰ্যকৰি ইচ্ছাৰ পতি বিশ্বাস স্থাপন কৰা।তেওঁ যিটো ইচ্ছা কৰে সেইটো হয় আৰু যিটো ইচ্ছা নকৰে সেইটো নহয়।

এই বিষয়ে আল্লাহ তা'আলা কৈছেঃ

﴿إِنَّ ٱللَّهَ يَفۡعَلُ مَا يَشَآءُ﴾ [الحج:18]

অৰ্থঃ নিশ্চয় আল্লাহ যি ইচ্ছা তাকেই কৰে।"

(ছুৰা হজ্জঃ ১৮)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿إِنَّمَآ أَمۡرُهُۥٓ إِذَآ أَرَادَ شَيۡـًٔا أَن يَقُولَ لَهُۥ كُن فَيَكُونُ﴾ [يس: 82]

অৰ্থঃ তেওঁ যেতিয়া কিবা কৰিবলৈ ইচ্ছা কৰে তেতিয়া তেওঁ মাথোন আদেশ দি কয় 'হ' আৰু সেয়া হৈ যায়।"

(ছুৰা ইয়াছিনঃ ৮২)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿وَمَا تَشَآءُونَ إِلَّآ أَن يَشَآءَ ٱللَّهُ رَبُّ ٱلۡعَٰلَمِينَ﴾ [التكوير:29]

অৰ্থঃ তোমালোকৰ ইচ্ছাৰে একো নহয়; যেতিয়া লৈকে বিশ্বজগতৰ পভূ আল্লাহে ইচ্ছা নকৰে।" (ছুৰা তাকৱীৰঃ ২৯)

চতুৰ্থ ঃ এইটো বিশ্বাস কৰা যে, সমগ বিশ্ব জগত আল্লাহ তা'আলাৰ সৃষ্টি। তেওঁ ব্যতীত আন কোনো সষ্টা নাই আৰু কোনো পভূও নাই। যেনেঃ-

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿ٱللَّهُ خَٰلِقُ كُلِّ شَيۡءٖۖ وَهُوَ عَلَىٰ كُلِّ شَيۡءٖ وَكِيلٞ﴾ [الزمر: 62]

অৰ্থঃ আল্লাহ পতিটো বস্তুৰে সৃষ্টিকৰ্তা। আৰু তেৱেঁই পতিটো বস্তুৰে তত্বাৱধায়ক ও ব্যৱস্থাপক।" (ছুৰা যুমাৰঃ ৬২)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿يَٰٓأَيُّهَا ٱلنَّاسُ ٱذۡكُرُواْ نِعۡمَتَ ٱللَّهِ عَلَيۡكُمۡۚ هَلۡ مِنۡ خَٰلِقٍ غَيۡرُ ٱللَّهِ يَرۡزُقُكُم مِّنَ ٱلسَّمَآءِ وَٱلۡأَرۡضِۚ لَآ إِلَٰهَ إِلَّا هُوَۖ فَأَنَّىٰ تُؤۡفَكُونَ﴾ [فاطر:3]

অৰ্থঃ হে মানৱ জাতি! তোমালোকৰ পতি আল্লাহৰ যি সমূহ অনুগহ আছে সেয়া স্মৰণ কৰা। আল্লাহৰ বাহিৰে আন কোনোবা সৃষ্টিকৰ্তা আছে নেকি ? যিজনে

তোমালোকক আকাশ আৰু পৃথিৱীৰ পৰা জীৱিকা দান কৰে।তেওঁৰ বাহিৰে আন কোনো উপাস্য নাই।তেনেহ'লে কেনেকৈ তোমালোক পতাড়িত হৈছা।" (ছুৰা ফাতিৰঃ ৩)

উপৰোক্ত চাৰিটা বিষয়ৰ পতি বিশ্বাস স্থাপন কৰাকেই আহলে ছুন্নাত ওৱাল জামাআতৰ মতে ভাগ্যৰ ওপৰত ঈমান বুজায়। পক্ষান্তৰে বিদআতী সকল ইয়াৰ কিছু কিছু অস্বীকাৰ কৰে।

উল্লেখ যোগ্য যে, আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰাৰ মাজত এই বিশ্বাসও অন্তৰ্ভূক্ত যে, কথা আৰু কাৰ্য উভয়ৰ নাম ঈমান। যিটো পূণ্যৰ দ্বাৰা বৃদ্ধি হয় আৰু পাপ কাৰ্যৰ দ্বাৰা হ্রাস পায়।

এই কথাও ঈমানৰ অন্তৰ্ভূক্ত যে, কুফৰী ও শ্বিৰ্ক ব্যতীত কোনো কাবিৰা গুণাহ যেনে, ব্যভিচাৰ, চুৰি, সূত, মদ, পিতা-মাতাৰ অবাধ্যতা ইত্যাদিৰ বাবে কোনো মুছলমানক কাফিৰ বুলি ক'ব নোৱাৰি। যেতিয়া লৈকে সি এইবোৰ হালাল বুলি নাভাৱিব।

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿إِنَّ ٱللَّهَ لَا يَغۡفِرُ أَن يُشۡرَكَ بِهِۦ وَيَغۡفِرُ مَا دُونَ ذَٰلِكَ لِمَن يَشَآءُۚ﴾ [النساء:116]

অৰ্থঃ যিজনে আল্লাহৰ লগত আনক অংশী স্থাপন কৰে; আল্লাহে তাক কেতিয়াও ক্ষমা নকৰে; ইয়াৰ বাহিৰে আন যিকোনো দোষ যাক ইচ্ছা কৰে তাক ক্ষমা কৰে। (ছুৰা নিছাঃ ১১৬)

দ্বিতীয় পমান হ'ল, ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ পৰা একাধিক মুতুৱাতিৰ (অধিক বৰ্ণিত) হাদিছত বৰ্ণিত আছে যে, আল্লাহ তা'আলা পৰকালত এনে লোককো জাহান্নামৰ জুইৰ পৰা মুক্তি দিব যাৰ অন্তৰত সৰিহৰ দানা পৰিমাণ ঈমান থাকিব।

আল্লাহৰ বাবে পীতি-ভালপোৱা, বিদ্বেষ, বন্ধুত্ব, আৰু শত্ৰুতা পোষন কৰাও আল্লাহৰ পতি ঈমানৰ অন্তৰৰ্ভূক্ত। এতেকে মু'মিন ব্যক্তি এজনে আনজনক মুহাব্বাত কৰিব আৰু তেওঁলোকৰ লগত সম্পীতি বজায় ৰাখিব। আনহাতে

তেওঁ কাফিৰ সকলৰ পতি বিদ্বেষ পোষন কৰিব আৰু সিহঁতৰ লগত বৈৰীতা বজায় ৰাখিব।মুছলিম উম্মাৰ ভিতৰত মুমিন সকলৰ মাজত শীৰ্ষস্থানত আছে ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ ছাহাবী সকল। সেয়ে আহলে ছুন্নাত ওৱাল জামাআতে তেখেত সকলৰ পতি সম্পাতি ও গভীৰ মুহাব্বাত পোষন কৰে। লগতে এই কথাও বিশ্বাস কৰে যে, এওঁলোক হৈছে নবী সকলৰ পিছত সৰ্বোত্তম মানৱ গোষ্ঠী।

নবী কাৰীম ছাল্লাল্লা-হু আলাইহি অছাল্লামে কৈছেঃ

«خَيْرُ النّاس قَرْنِي ثُمَّ الْذِينَ يَلُوْنَهُمْ ثُمَّ الْذِينَ يَلُوْنَهُمْ»

অৰ্থঃসৰ্বোত্তম মানৱগোষ্ঠী মোৰ যুগৰ লোক, তাৰ পিছত তেওঁলোকৰ পৰৱৰ্তী যুগৰ মানুহ,তাৰ পিছত তেওঁলোকৰ পৰৱৰ্তী সকল।" (বোখাৰী ও মুছলিম)

তেওঁলোকে আৰু বিশ্বাস কৰে যে, এওঁলোকৰ মাজত সৰ্বোত্তম হৈছে হজৰতে আবু বকৰ ছিদ্দিক,তাৰ পিছত হজৰতে ওমৰ ফাৰুক,তাৰ পিছত হজৰতে উছমান জুন্নূৰাইন, তাৰ পিছত হজৰতে আলী মুৰতাজা (ৰাজিয়াল্লা-হু আনহুম)

তেখেত সকলৰ পিছত হৈছে জান্নাতৰ সু-সংবাদ পাপ্ত আন আন ছাহাবী সকল। আৰু তাৰ পিছত হৈছে বাকী সমূহ ছাহাবী সকলৰ স্থান।( ৰাজিয়াল্লা-হু আনহুম আজমাঈন)

আহলে ছুন্নাত ওৱাল জামাআত ছাহাবী সকলৰ মাজত সংঘটিত বাদ-বিসংবাদ সম্পৰ্কে কোনো ধৰনৰ মন্তব্যৰ পৰা সদায় আঁতৰত থাকে।তেওঁলোকে বিশ্বাস কৰে যে, ছাহাবী সকল সেই সমূহ ক্ষেত্ৰত মুজতাহিদ আছিল। যিহঁতৰ ইজতিহাদ সঠিক আছিল সিহঁতে দ্বিগুণ পূণ্যৰ অধিকাৰী।আৰু যিহঁতৰ ইজতিহাদ ভূল আছিল তেওঁলোকে একগুণ পূণ্যৰ অধিকাৰী। আহলে ছুন্নাত ওৱাল জামাআত ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ পতি বিশ্বাসী আৰু তেওঁৰ বংশধৰ সকলক ভাল পায়।লগতে তেওঁলোকৰ পতি ভক্তি পদৰ্শন কৰে। তেওঁলোকে মুমিন সকলৰ মাতৃকূল ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ স্ত্ৰী সকলক ভক্তি কৰে আৰু তেওঁলোকৰ সকলোৰে বাবে আল্লাহৰ সন্তোষ্টি কামনা কৰে।

এইদৰে আহলে ছুন্নাত ওৱাল জামাআতৰ লোক সকলে ৰাফেজী(ছিয়া) সকলৰ নীতিৰ পৰা নিজকে মূক্ত ৰাখে। ৰাফেজী সকলে ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ ছাহাবা সকলৰ পতি বিদ্বেষ পোষন কৰে আৰু তেওঁলোকক গালি-শপনি পাৰে। আনহাতে সিহঁত আহলে বাইতৰ পতি ভক্তি পদৰ্শনত সীমা অতিক্ৰম কৰে। আৰু আল্লাহে তেওঁলোকক যি মৰ্য্যাদা পদান কৰিছে তাত সিহঁতে সীমা লঙ্ঘন কৰে।

ঠিক এনেদৰে আহলে ছুন্নাত ওৱাল জামাআতে সেই সকলো নাছিবী (এক বিশেষ দল) সকলৰ নীতিৰ পৰাও নিজকে মূক্ত ৰাখে। যিহঁতে কোনো কোনো কথা ও কাৰ্যৰ দ্বাৰা আহলে বাইতক যন্ত্ৰনা পদান কৰে।

মই এই সংক্ষিপ্ত আলোচনাত যি উল্লেখ কৰিছো সকলো সেই বিশুদ্ধ আকীদাহ বা ধৰ্ম-বিশ্বাসৰ অন্তৰ্ভূক্ত যিটো পদান কৰি আল্লাহ তা'আলা তেওঁৰ পিয় ৰাছুল হজৰত মুহাম্মাদ ছাল্লাল্লা-হু আলাইহি অছাল্লামক পেৰণ কৰিছিল।

এইটোৱেই মূক্তি পাপ্ত দল আহলে ছুন্নাত ওৱাল জামাআতৰ ধৰ্ম-বিশ্বাস। ইয়াৰ বিষয়ে ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লামে ভৱিষ্যত বাণী দি কৈছেঃ

«لاَ تَزَالُ طَائِفَةُ مِنْ أُمَّتِيْ عَلَى الْحَقِّ مَنْصُوْرَةَ لاَ يَضُرُّهُمْ مِنْ خَذَلَّهُمْ حَتَّى يَأْتِيْ أَمْرُ اللهِ سُبْحَانَهُ»

অৰ্থঃ মোৰ উম্মতৰ এটা দল সদায় সত্যৰ ওপৰত সাহায্য পাপ্ত হৈ পতিষ্ঠিত থাকিব।কিয়ামত নোহোৱা লৈকে কোনো ষঢ়যন্ত্ৰ কাৰীৰ ষঢ়যন্ত্ৰ তেওঁলোকক কোনো ক্ষতি কৰিব নোৱাৰিব।"

তেখেত ছাল্লাল্লা-হু আলাইহি অছাল্লামে আৰু কৈছেঃ

«إِفْتَرَتِ الْيَهُوْدَ عَلَى إِحْدِى وَ سَبْعِيْنَ فِرْقَةً وَ افْتَرَقَتِ النَّصَارَى عَلَى إِثْنَتَيْنَ فِرْقَةً, وَسَتَفْرِقُ هَذِهِ لأُمَّةُ عَلَى ثَلاَثَ وَ سَبْعِيْنَ فِرْقَةً , كُلُّهَا فِيْ النَّارِ إِلاَّ وَاحِدَةً »

অৰ্থঃ ইয়াহুদি সম্পদায় ৭১ টা দলত বিভক্ত হৈছে আৰু খৃষ্টান সকল ৭২ টা দলত বিভক্ত হৈছে, আৰু আমাৰ এই উম্মত ৭৩ টা দলত বিভক্ত হ'ব। তাৰ মাজত এটাই মূক্তি পাব আৰু আন সকলোৱে জাহান্নামত পৱেশ কৰিব। ছাহাবী

সকলে পশ্ন কৰিলে ' হে আল্লাহৰ ৰাছুল ছাল্লাল্লা-হু আলাইহি অছাল্লাম! সেইটো কোনটো দল ? উত্তৰত তেওঁ ক'লে

« مَنْ كَانَ عَلَى مِثْلِ مَا أَنَا عَلَيْهِ وَ أَصْحَابِيْ »

' যিটো দল মোৰ আৰু মোৰ ছাহাবা সকলৰ নীতিৰ ওপৰত পতিষ্ঠিত থাকিব।(মুছনাদ আহমাদ, আবু দাউদ)

এই নীতিয়েই হৈছে সেই আকীদাহ বা বিশ্বাস যাৰ ওপৰত দৃঢ় ভাৱে অটল থকা আৰু তাৰ পৰিপন্থী বিষয়ৰ পৰা সতৰ্ক থকা সকলোৰে বাবে অপৰিহাৰ্য।

আৰু যিহঁতে এই আকীদাৰ পৰা পথভ্ৰষ্ট আৰু ইয়াৰ বিপৰীত পথত পৰিচালিত,সিহঁত বিভিন্ন দলত বিভক্ত। যেনে- মূৰ্তি পূজক, পতিমা পূজক, ফিৰিস্তা, আওলিয়া, জ্বিন,বৃক্ষ,শিল ইত্যাদিৰ ইবাদত কাৰী সকল। এই সকল লোক আল্লাহৰ ৰাছুল ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ আহ্বান গহণ কৰা নাছিল। বৰং তেওঁৰ বিৰোধীতা ও শত্ৰুতা কৰিছিল।উদাহৰণ স্বৰূপে কুৰাইছ আৰু বিভিন্ন আৰব গোত্ৰৰ লোক সকলে আমাৰ পিয় নবী হজৰত মুহাম্মাদ ছাল্লাল্লা-হু আলাইহি অছাল্লামৰ লগত যি আচৰণ কৰিছিল সেয়া নজনা কথা নহয়। এই ভ্ৰান্ত লোক সকল সিহঁতৰ উপাস্য সকলৰ ওচৰত নিজৰ অভাৱ পূৰণ, ৰোগ মূক্তি, আৰু শত্ৰুৰ ওপৰত বিজয় লাভৰ বাবে পাৰ্থনা কৰিছিল আৰু এই উপাস্য সকলৰ বাবেই জবেহ আৰু মান্নত নিবেদন কৰিছিল।

ফলত যেতিয়া ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লাম সিহঁতৰ এই সমূহ কৰ্ম-কাণ্ডৰ বিৰুদ্ধে থিয় দিলে আৰু সিহঁতক একমাত্ৰ আল্লাহৰ বাবেই নিৰ্ভেজাল ভাৱে ইবাদত কৰিবলৈ আহ্বান কৰিলে তেতিয়া সিহঁতে এই আহ্বানক অস্বাভাৱিক বুলি ভাৱি ইয়াৰ বিৰুদ্ধাচৰণ কৰিলে আৰু ক'লেঃ

﴿أَجَعَلَ ٱلْآلِهَةَ إِلَٰهًا وَٰحِدًاۖ إِنَّ هَٰذَا لَشَيْءٌ عُجَابٌ﴾ [ص: 5]

অৰ্থঃ ই সকলো উপাস্য এৰি মাত্ৰ এজনহে উপাস্য কৰি লৈছে নেকি ? বাস্তৱিকতে এইটো এটা অদ্ভুত কথা"। (ছুৰা ছাদঃ ৫)

ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লাম সিহঁতক আল্লাহৰ পতি আহ্বান কৰিয়েই থাকিলে আৰু শ্বিৰ্কৰ পৰা ভীতি পদৰ্শন আৰু সিহঁতৰ ওচৰত স্বীয় আহ্বানৰ মূল তত্ত্ব বিশ্লেষণত আত্মনিয়োগ কৰিলে।যাৰ ফলত আল্লাহে সিহঁতৰ কিছু সংখ্যক লোকক হিদায়ত দান কৰিলে।আৰু তাৰ পিছত সিহঁতে দলে দলে আল্লাহৰ দ্বীনত পৱেশ কৰিলে। এনেকৈ ৰাছুলুল্লাহ ছাল্লাল্লা-হু আলাইহি অছাল্লাম তেখেতৰ ছাহাবা সকল আৰু তেওঁলোকৰ নিষ্ঠাবান অনুসাৰী তাবেঈন সকলৰ ধাৰাবাহিক পচাৰ ও দীৰ্ঘ সংগামৰ পিছত আল্লাহৰ দ্বীন অন্যান্য ভ্ৰান্ত দ্বীন সমূহৰ ওপৰত বিজয়ী হৈ আত্ম পকাশ কৰিলে।

পিছলৈ সময়ৰ লগে লগে অৱস্থাৰ পৰিৱৰ্তন ঘটিলে আৰু অধিকাংশ লোক অজ্ঞতাৰ চিকাৰ হৈ সংখ্যা গৰিষ্ঠ জনগণ  আম্বিয়া, আওলিয়া সকলৰ পতি সীমাতিৰিক্ত ভক্তি, সিহঁতৰ নামত আহ্বান কৰা, সিহঁতৰ ওচৰত অনুগহ পাৰ্থনা সহ অন্যান্য শ্বিৰ্কৰ মাধ্যমত ইছলাম পূৰ্ব অজ্ঞতা যুগৰ নীতিত উভতি গ'ল। সিহঁতে লা ইলা-হা ইল্লাল্লাহ-ৰ পকৃত অৰ্থ ইমান খিনিও অনুধাৱন কৰিব নোৱাৰিলে যিমান খিনি আৰব দেশৰ কাফিৰ সকলে উপলব্ধি কৰিছিল।

অজ্ঞতাৰ পধান্য ও নুবুৱাতৰ যুগৰ পৰা দূৰত্বৰ ফলত বৰ্তমান পৰ্যন্ত মানুহৰ মাজত ব্যপকভাৱে উক্ত শ্বিৰ্ক পসাৰিত হৈছে। আজিৰ মুশ্বৰিক সকলৰ ভ্ৰান্ত ধাৰণা সমূহ হুবহু পূৰ্বৱৰ্তী মুশ্বৰিক সকলৰ মাজতো আছিল।যেনে- সিহঁতে কৈছিলঃ

﴿هَٰٓؤُلَآءِ شُفَعَٰٓؤُنَا عِندَ ٱللَّهِۚ﴾ [يونس: 18]

অৰ্থঃ এওঁলোক আল্লাহৰ ওচৰত আমাৰ মধ্যস্ততা কাৰী"। (ছুৰা ইউনুছঃ ১৮)

সিহঁতে এই কথাও কৈছিলঃ

﴿مَا نَعۡبُدُهُمۡ إِلَّا لِيُقَرِّبُونَآ إِلَى ٱللَّهِ زُلۡفَىٰٓ﴾ [الزمر:3]

অৰ্থঃ আমি এওঁলোকৰ উপাসনা এই বাবে কৰো যে, এওঁলোকে আমাক আল্লাহৰ সান্নিধ্য লাভ কৰাই দিব"। (ছুৰা যুমাৰঃ ৩)

আল্লাহ তা'আলা এই ভ্ৰান্ত ধাৰণাৰ পতিৰোধ কৰি স্পষ্ট কৈ দিলে যে, আল্লাহ ব্যতীত কাৰো ইবাদত কৰা সি যিয়েই নহওক কিয় আল্লাহৰ লগত শ্বিৰ্ক ও কুফৰী কৰাৰ দৰে। যেনে-

আল্লাহ তা'আলা কৈছেঃ

﴿وَيَعۡبُدُونَ مِن دُونِ ٱللَّهِ مَا لَا يَضُرُّهُمۡ وَلَا يَنفَعُهُمۡ وَيَقُولُونَ هَٰٓؤُلَآءِ شُفَعَٰٓؤُنَا عِندَ ٱللَّهِۚ ...﴾

অৰ্থঃ সিহঁত আল্লাহ ব্যতীত এনে বস্তুৰ উপাসনা কৰে যিটো সিহঁতৰ ক্ষতিও কৰিব নোৱাৰে; উপকাৰো কৰিব নোৱাৰে। তথাপিও সিহঁতে কয় যে- 'এইবোৰ আল্লাহৰ ওচৰত আমাৰ মধ্যস্ততা কাৰী।" (ছুৰা ইউনুছঃ ১৮)

আল্লাহ তা'আলা সিহঁতৰ বক্তব্য নাকচ কৰি কয়ঃ

﴿... قُلۡ أَتُنَبِّـُٔونَ ٱللَّهَ بِمَا لَا يَعۡلَمُ فِي ٱلسَّمَٰوَٰتِ وَلَا فِي ٱلۡأَرۡضِۚ سُبۡحَٰنَهُۥ وَتَعَٰلَىٰ عَمَّا يُشۡرِكُونَ﴾ [يونس: 18]

অৰ্থঃ (হে মুহাম্মাদ) সিহঁতক কোৱা- ' তোমালোকে আল্লাহক আকাশ মণ্ডল আৰু পৃথিৱীৰ এনে কোনো সংবাদ দিবা নেকি যি বিষয়ে তেওঁ নাজানে ? তেওঁ অতি মহান,পৱিত্ৰ। সিহঁতে যিবোৰৰ লগত তেওঁক অংশী কৰিছে তাতকৈ তেওঁ বহু উৰ্দ্ধত।" (ছুৰা ইউনুছঃ ১৮)

এই আয়াতত আল্লাহ তা'আলা স্পষ্ট কৈ দিলে যে, তেওঁ ব্যতীত কোনো ওৱালী, পয়গাম্বৰ, বা আন কাৰো ইবাদত কৰা মহা শ্বিৰ্ক। যদিও মুশ্বৰিক সকলে ইয়াৰ বেলেগ নাম দিয়ে।

আল্লাহ তা'আলা কৈছেঃ

﴿وَٱلَّذِينَ ٱتَّخَذُواْ مِن دُونِهِۦٓ أَوۡلِيَآءَ مَا نَعۡبُدُهُمۡ إِلَّا لِيُقَرِّبُونَآ إِلَى ٱللَّهِ زُلۡفَىٰٓ ...﴾

অৰ্থঃ যিবিলাকে তেওঁৰ বাহিৰে আনক পৃষ্টপোষক কৰি লৈছে সিহঁতে কয়- 'আমি এওঁলোকৰ উপাসনা এই বাবে কৰো যে এওঁলোকে আমাক আল্লাহৰ সান্নিধ্য লাভ কৰাই দিব।" (ছুৰা যুমাৰঃ ৩)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿... إِنَّ ٱللَّهَ يَحۡكُمُ بَيۡنَهُمۡ فِي مَا هُمۡ فِيهِ يَخۡتَلِفُونَۗ إِنَّ ٱللَّهَ لَا يَهۡدِي مَنۡ هُوَ كَٰذِبٞ كَفَّارٞ﴾

[الزمر: 3]

অৰ্থঃ ' যি বিষয়লৈ সিহঁতৰ মাজত মতভেদ হৈছে, নিশ্চয় আল্লাহে সেয়া চুড়ান্ত ভাৱে মীমাংসা কৰি দিব। আল্লাহে মিছলীয়া আৰু সত্য অবিশ্বাসকাৰী মানুহক কদাপিও সৎ পথত পৰিচালিত নকৰে।" (ছুৰা যুমাৰঃ ৩)

উপৰোক্ত বাণীৰ মাধ্যমত আল্লাহ তা'আলা এই কথাটো স্পষ্ট কৰিছে যে, দুআ, ভয়-ভীতি, আশা-ভৰসা ইত্যাদিৰ মাধ্যমত আল্লাহ ব্যতীত আন কাৰো ইবাদত কৰা মানে আল্লাহ তা'আলাৰ লগত শ্বিৰ্ক কৰা। আৰু ' সিহঁতৰ উপাস্য সকলে সিঁহতক আল্লাহৰ সান্নিধ্য লাভ কৰাই দিব' এই কথাটো সিহঁতৰ এটা জঘন্যতম মিথ্যাৰ বাহিৰে আন একো নহয়।

## বিশুদ্ধ আক্বীদাৰ পৰিপন্থী বিষয়

### নাস্তিকতাবাদ

বিশুদ্ধ আক্বীদাৰ পৰিপন্থী আৰু আল্লাহৰ ৰাছুল সকলে পচাৰিত ধৰ্ম বিশ্বাসৰ বিৰোধী এটা মতবাদ হ'ল বৰ্তমান কালৰ নাস্তিকতা আৰু কুফৰীৰ ধ্বজাবাহী মাৰ্কছ-লেনিন পমূখ পন্থী সকলৰ ভ্ৰান্ত মতবাদ। সিহঁতে ইয়াক সমাজতন্ত্ৰ, কমিউনিজম বা আন যি কোনো নামেৰে পচাৰ নকৰক কিয়, এইবোৰ নাস্তিক

সকলৰ মূলতন্ত্ৰ হ'ল: মা'বুদ বা উপাস্য বলোতে একোৱেই নাই। আৰু এই পাৰ্থিৱ জীৱন এটা বস্তুগত বিষয় মাত্ৰ।

পৰকাল, জান্নাত, জাহান্নাম, আৰু সকলো ধৰ্মৰ পতি অস্বীকৃতি সিহঁতৰ মৌলিক নীতিমালাৰ অন্তৰ্ভূক্ত। সিহঁতৰ কিতাপ-পত্ৰ পৰ্যালোচনা কৰিলে এই কথা নিশ্চিত ভাৱে উপলব্ধি কৰিব পাৰি।নি:সন্দেহে এইটো সকলো ঐশী ধৰ্মৰ সম্পূৰ্ণ পৰিপন্থী মতবাদ, যিটো দুনিয়া ও আখিৰাতত ইয়াৰ অনুসাৰী সকলক একচৰম অশুভ পৰিণতিৰ দিশত পৰিচালিত কৰিছে।

## ছুফিবাদ

এইদৰে সত্যৰ পৰিপন্থী আৰু এটা মতবাদ হৈছে ছুফিবাদ। কোনো কোনো বাতেনী ও ছুফিবাদী সকলৰ এই বিশ্বাস যে, তথাকথিত ওৱালী এই সৃষ্টি জগতৰ ব্যৱস্থাপনাত ও নিয়ন্ত্ৰণত আল্লাহৰ অংশী আছে। সিহঁতে এওঁলোকক কুতুব, আওতাদ, গাওছ ইত্যাদি বিভিন্ন নামে অভিহিত কৰে। সিহঁত নিজেই এইবোৰ নাম উদ্ভাৱন কৰিছে। আল্লাহৰ পভূত্বত এইটো এটা জগন্যতম শ্বিৰ্ক। আৰু এয়া ইছলাম পূৰ্ব অজ্ঞতা যুগৰ শ্বিৰ্কতকৈও জঘন্য। কিয়নো আৰব দেশৰ কাফিৰ সকলে আল্লাহৰ পভূত্বত শ্বিৰ্ক কৰা নাছিল। সিহঁতে ইবাদতত শ্বিৰ্ক কৰিছিল। আৰু এয়াও কৰিছিল মাত্ৰ সূখী অৱস্থাত। দুৰ্যোগ অৱস্থাত সিহঁতে ইবাদত আল্লাহৰ বাবেই নিৰ্ভেজাল কৰি লৈছিল। এই বিষয়ে আল্লাহ তা'আলা কৈছেঃ

﴿فَإِذَا رَكِبُواْ فِي ٱلۡفُلۡكِ دَعَوُاْ ٱللَّهَ مُخۡلِصِينَ لَهُ ٱلدِّينَ فَلَمَّا نَجَّىٰهُمۡ إِلَى ٱلۡبَرِّ إِذَا هُمۡ يُشۡرِكُونَ﴾ [العنكبوت:65]

অৰ্থঃ এই মানুহ বিলাকে যেতিয়া নাৱত আৰোহণ কৰে, তেতিয়া সিহঁতে আল্লাহৰ ওচৰত ধৰ্মনিষ্ঠ হৈ বিশুদ্ধচিত্তে একনিষ্ঠ ভাৱে পাৰ্থনা কৰে। কিন্তু তেওঁ সিহঁতক উদ্ধাৰ কৰি কামলৈ অনাৰ পিছতেই সিহঁতে তেওঁৰ লগত আনক অংশী কৰিবলৈ ধৰে।" (ছুৰা আন-কাবুতঃ ৬৫)

পভূত্বৰ বিষয়ে কৰা পশ্নত সিহঁতে স্বীকাৰ কৰে যে, এয়া একমাত্ৰ আল্লাহৰেই অধিকাৰ। এই বিষয়ে আল্লাহ তা'আলা কৈছেঃ

﴿وَلَئِن سَأَلْتَهُم مَّنْ خَلَقَهُمْ لَيَقُولُنَّ ٱللَّهُ﴾ [الزخرف:87]

অৰ্থঃ আৰু যদি তুমি সিহঁতক সোধা যে- 'কোনে সিহঁতক সৃষ্টি কৰিছে? উত্তৰত সিহঁতে নিশ্চয় ক'ব 'আল্লাহ'।" (ছুৰা যুখৰুফঃ ৮৭)

আল্লাহ তা'আলা আৰু কৈছেঃ

﴿قُلْ مَن يَرْزُقُكُم مِّنَ ٱلسَّمَآءِ وَٱلْأَرْضِ أَمَّن يَمْلِكُ ٱلسَّمْعَ وَٱلْأَبْصَٰرَ وَمَن يُخْرِجُ ٱلْحَىَّ مِنَ ٱلْمَيِّتِ وَيُخْرِجُ ٱلْمَيِّتَ مِنَ ٱلْحَىِّ وَمَن يُدَبِّرُ ٱلْأَمْرَ ۚ فَسَيَقُولُونَ ٱللَّهُ ۚ فَقُلْ أَفَلَا تَتَّقُونَ﴾ [يونس:31]

অৰ্থঃ সিহঁতক সোধা- কোনে তোমালোকক আকাশ আৰু পৃথিৱীৰ পৰা জীৱিকা দান কৰে? শ্ৰৱণশক্তি আৰু দৃষ্টি শক্তি কাৰ কৰ্তৃত্বাধীন? কোনে নিৰ্জীৱৰ পৰা সজীৱ উলিয়ায় আৰু সজীৱৰ পৰা নিৰ্জীৱ উলিয়ায়? আৰু কোনে যাৱতীয় বিষয় নিয়ন্ত্ৰণ কৰে? নিশ্চয় সিহঁতে ক'ব- 'আল্লাহ' তুমি কোৱা- তেনেহ'লে তোমালোকে কিয় সাৱধান নোহোৱা।" (ছুৰা ইউনুছঃ ৩১)

এই বিষয়ে পৱিত্ৰ কোৰআনত অসংখ্য আয়াত আছে। বৰ্তমান যুগৰ মুশ্বৰিক সকল , পূৰ্বৱৰ্তী যুগৰ মুশ্বৰিক সকলতকৈ দুটি বিষয়ত অগগামী হৈ আছে।

পথমঃ আজিৰ মুশ্বৰিক সকলে আল্লাহৰ পভূত্বত শ্বিৰ্ক কৰে।পূৰ্বৱৰ্তী যুগৰ মুশ্বৰিক সকলে এনে কৰা নাছিল।

দ্বিতীয়ঃ আজিৰ মুশ্বৰিক সকলে সুখী ও দুখী উভয় অৱস্থাত আল্লাহৰ লগত শ্বিৰ্ক কৰে। আনহাতে পূৰ্বৱৰ্তী যুগৰ মুশ্বৰিক সকলে কেৱল সুখী অৱস্থাত শ্বিৰ্ক কৰিছিল।

এইবোৰ কথা কেৱল সেই সকল লোকেই ভালকে উপলব্ধি কৰিব পাৰিব যি সকলে সিহঁতৰ লগত উঠা বহা কৰে।আৰু নিজ চকুৰে সিহঁতৰ পকৃত অৱস্থা পৰীক্ষা কৰি দেখাৰ সুযোগ লাভ কৰে।

উদাহৰণ স্বৰূপে কেইটিমান ঠাইৰ নাম উল্লেখ কৰিছো য'ত আপুনি উক্ত বিষয়টো নিজ চকুৰে পত্যক্ষ কৰিব পাৰিব।

' মিছৰত অৱস্থিত হুছাইন বাদাৱীৰ কবৰত, ইডেনত অৱস্থিত ঈদৰুছৰ কবৰত, য়ামানত থকা আল-হাদীৰ কবৰত, ছিৰিয়াত থকা ইবনে আৰবীৰ কবৰত, ইৰাকত থকা শ্বাইখ আব্দুল কাদিৰ জিলানীৰ কবৰসহ বিভিন্ন পসিদ্ধ সমাধি ক্ষেত্ৰৰ আশে পাশে দৈনন্দিন ঘটিয়েই আছে। ( বিশেষ ভাৱে আমাৰ অসম বাসী ৰাইজে হাজোৰ পোৱা মক্কা, গুৱাহাটীৰ সিজুবাৰী মাজাৰ, আৰু গোৱাল পাৰা জিলাৰ জলেশ্বৰ ইত্যাদি ঠাইত এই চৰীয়ত বিৰোধী কাৰো-কাৰ্য বোৰ পত্যক্ষ কৰিব পাৰিব। অনুবাদক)

এই ঠাই সমূহত সাধাৰন লোক সকলে মৃত ব্যক্তিৰ পতি সীমাতিৰিক্ত ভক্তি পদৰ্শন কৰে আৰু সেই সমূহ ঠাইত আল্লাহৰ বহু অধিকাৰ বিনষ্ট কৰে। অথচ অতি কম সংখ্যক লোকেই ইয়াৰ বিৰোদ্ধে থিয় দি পকৃত তাওহীদৰ বাণী সিহঁতৰ ওচৰত উপস্থাপিত কৰাৰ সাহস কৰিছে। আৰু সিহঁতক জ্ঞাত কৰাব বিছাৰিছে যে, তাওহীদৰ বাণীসহ আল্লাহ তা'আলা তেওঁৰ পিয় নবী হজৰত মুহাম্মাদ ছাল্লাল্লা-হু আলাইহি অছাল্লাম আৰু তেওঁৰ পূৰ্বৱৰ্তী ৰাছুল সকলক পেৰণ কৰিছিল।

﴿إِنَّا لِلَّهِ وَإِنَّآ إِلَيۡهِ رَٰجِعُونَ﴾ [البقرة:156]

অৰ্থঃ নিশ্চয় আমি আল্লাহৰেই আৰু তেওঁৰ পিনেই আমি পত্যাগমন কৰিম'।

আল্লাহৰ ওচৰত পাৰ্থনা কৰোঁ যে, তেওঁ যাতে সেই সকল লোকক সঠিক পথত উভতাই আনে।আৰু সিহঁতৰ মাজত সৎ পথত আহ্বান কাৰী সকলৰ সংখ্যা বৃদ্ধি কৰে।আৰু মুছলমান শাসক বৃন্দ ও উলামায়ে কেৰামক শ্বিৰ্কৰ বিৰোদ্ধে সংগাম আৰু ইয়াৰ যাৱতীয় উপকৰণ নিৰ্মূল কৰাৰ তৌফিক পদান কৰে। নিশ্চয় তেওঁ সৰ্বশোতা অতি সন্নিকট।

আল্লাহৰ গুণাৱলীৰ অস্বীকাৰ কৰা দল সমূহ

আল্লাহ তা'আলাৰ নাম ও গুণাৱলীৰ ক্ষেত্ৰত সঠিক ধৰ্ম বিশ্বাসৰ পৰিপন্থী আৰু কিছুমান আক্বীদা হৈছে জাহমীয়্যা, মু'তাজিলা আৰু সিহঁতৰ অনুসাৰী বিদআত পন্থী সকলৰ মতবাদ সমূহ।

ইহঁত মহামহিম আল্লাহ তা'আলাৰ পকৃত গুণাৱলী সমূহ অস্বীকাৰ কৰে।আৰু তেওঁক সু-সম্পূৰ্ণ ও নিখুঁত গুণাৱলীৰ পৰা বিমূক্ত বুলি বিশ্বাস কৰে। আনহাতে সিহঁতে আল্লাহক অস্তিত্বহীনতা, জড়তা ও অসম্ভাব্য গুণেৰে বিশেষিত কৰাৰ পয়াস কৰে। পকৃততে আল্লাহ তা'আলা সিহঁতৰ এইবোৰ অপবাদৰ পৰা বহু উৰ্ধ্বত। আৰু যিহঁতে আল্লাহ তা'আলাৰ কিছুমান গুণ পতিষ্ঠিা কৰে আৰু কিছুমান অস্বীকাৰ কৰে সিহঁতেও উপৰোক্ত ভ্ৰান্ত মতবাদী সকলৰ অন্তৰ্ভূক্ত।উদাহৰণ স্বৰূপে আশ্বআৰী পন্থী সকলৰ নাম উল্লেখযোগ্য। কিয়নো সিহঁতৰ কিছু সংখ্যক গুণৰ স্বীকৃতিৰ মাজতেই সিহঁতৰ বাবে সেই সমূহ গুণাৱলীৰো অনুৰূপ অৰ্থ গহণ কৰা অপৰিহাৰ্য হৈ পৰে,যিবোৰ সিহঁতে অস্বীকাৰ কৰে। এইবোৰ ক্ষেত্ৰত সিহঁতে পমানাদি সমূহৰ অপব্যাখ্যা কৰাৰ পচেষ্টা চলায়। এনেকৈ সিহঁতে সকলো পকাৰ দলীল সমূহৰ বিৰোধীতা কৰি পৰস্পৰ বিৰোধী বিশ্বাসৰ ঘূৰ্নিপাকত নিপতিত হৈ পৰিছে।

আনহাতে আহলে ছুন্নাত ওৱাল জামাআত আল্লাহৰ সেই সমূহ পৱিত্ৰ নাম আৰু নিখূঁত গুণাৱলী সমূহ পতিষ্ঠা কৰে যিবোৰ স্বয়ং আল্লাহ তা'আলা অথবা তেওঁৰ ৰাছুল ছাল্লাল্লা-হু আলাইহি অছাল্লামে পতিষ্ঠিা কৰিছে। তেওঁলোকে আল্লাহ তা'আলাক তেওঁৰ সৃষ্টিৰ সাদৃশ্যৰ পৰা এনেকৈ পৱিত্ৰ ৰাখে যাতে গুণ বিমুক্তিৰ কোনে শুং নাথাকে। এই ভাৱে তেওঁলোকে এই সম্পৰ্কে গোটেই পমানাদিৰ ওপৰত আমল কৰাত সক্ষম হয় আৰু ইয়াৰ কোনো ধৰণৰ বিকৃতি বা তা'তীল নকৰি পৰস্পৰ বিৰোধী বিশ্বাসৰ পৰা নিৰাপদ থাকে। এই বিশ্বাসেই দুনিয়া ও আখিৰাতত মুক্তি ও সৌভাগ্য লাভৰ একমাত্ৰ উপায়। আৰু এয়াই হৈছে,সেই ছিৰাতে মুছতাক্বীম যাৰ পথিক আছিল পূৰ্বৱৰ্তী মুছলিম উম্মত আৰু তেওঁলোকৰ ইমাম বৰ্গ। এই কথা চিৰ সত্য যে,পৰবৰ্তী লোক সকল কেৱল সেই পথতেই পৰিশুদ্ধ হ'ব পাৰে, যি পথত তেওঁলোকৰ পূৰ্বৱৰ্তী লোক সকলে পৰিশুদ্ধ হৈ গৈছে। আৰু সেই পথটো একমাত্ৰ কোৰআন হাদিছৰ অনুসৰণৰ মাজতেই নিহিত হৈ আছে।

IslamHouse.com